সংবাদ সেৱাৰে,দেশৰ সেৱাত ২৮ বছৰৰ এক অবিৰত যাত্ৰা...

Govt. of Assam Approved

Postal Redg. No. GH- 098/ 2015 - 17

গুৱাহাটীৰ পৰা প্ৰকাশিত নিৰ্ভীক সাপ্তাহিক

# ৰঙিলী বাৰ্ত্তা

২৮ বছৰ, ২৯ সংখ্যা, ৩২ আহাৰ , ৰবিবাৰ, ১৪২৭ ভাস্কৰাব্দ, পঞ্জীয়ন নং ৫৩৮৮৩ / ৯৪

RNI No. 53883/94. GHY--781025. Vol. 28: Issue No. 29 * Date Of Publication - 17 July 2022 Rs.10.00/-

## ৰাজ্যৰ শেহতীয়া বান পৰিস্থিতিক লৈ মুখ্যমন্ত্ৰী ড° হিমন্ত বিশ্ব শৰ্মাৰ জনতা ভৱনত সংবাদমেল সম্বোধন



ৰঙিলী বাৰ্ত্তাসেৱা- ৰাজ্যৰ শেহতীয়া বান পৰিস্থিতিক লৈ মুখ্যমন্ত্ৰী ড° হিমন্ত বিশ্ব শৰ্মাই জনতা ভৱনত সংবাদমেল সম্বোধন কৰে। সংবাদমেল সম্বোধন কৰি কয় যে বানত আক্ৰান্ত হৈ শিবিৰত থকা সৰ্বমুঠ ১, ৮৯, ৭৫২টা পৰিয়াল চিনাক্ত কৰা হৈছিল আৰু এই পৰিয়ালসমূহ শিবিৰৰ পৰা ঘৰলৈ উভতি যোৱাৰ সময়ত প্ৰতিটো পৰিয়ালক ৩, ৮০০ টকাকৈ আৰ্থিক সাহায্য প্ৰদান কৰা হৈছিল। এই আৰ্থিক সাহায্য বেংক একাউণ্টৰ জৰিয়তে প্ৰদান কৰা হৈছে আৰু কিছু কাৰিকৰী অসুবিধাৰ বাবে মাত্ৰ ৩৫ হাজাৰ পৰিয়ালেহে এই পৰ্যন্ত আৰ্থিক সাহায্য পাবলৈ বাকী থকাৰ কথা মুখ্যমন্ত্ৰীয়ে প্ৰকাশ কৰে। চলিত বৰ্ষৰ এপ্ৰিলৰ পৰা জুলাই পৰ্যন্ত হোৱা দুটাকৈ বানে ৰাজ্যখনক বেয়াকৈ ক্ষতি কৰি যোৱাৰ তথ্য দাঙি ধৰি মুখ্যমন্ত্ৰীয়ে কয় যে দুয়োটা বানত ৰাজ্যখনৰ ৩৪খন জিলা ক্ষতিগ্ৰস্ত হৈছে। এই জিলাকেইখনৰ ১৫২টা ৰাজহ চক্ৰৰ ৯, ৯১৮খন গাঁও বানত ক্ষতিগ্ৰস্ত হয়। ৰাজ্যখনৰ মুঠ জনসংখ্যাৰ তিনি ভাগৰ এভাগ বানত ক্ষতিগ্ৰস্ত হোৱাৰ তথ্য প্ৰকাশ কৰি লগতে কয় যে দুয়োটা বানত সৰ্বমুঠ ১৯৫গৰাকী লোকৰ মৃত্যু হৈছে। এই ১৯৫গৰাকী লোকৰ ভিতৰত ভূমিস্খলনত মৃত্যু হোৱা ১৯গৰাকী লোকো অন্তৰ্ভুক্ত হৈ আছে। তদুপৰি বানত ৩৭ গৰাকী লোক এই পৰ্যন্ত নিখোজ হৈ থকাৰ কথা সদৰী কৰে। ইফালে, বানত মৃত্যু হোৱা লোকসকলৰ প্ৰতিটো পৰিয়াললৈ চৰকাৰৰ তৰফৰ পৰা আগবঢ়োৱা হৈছে ৪ লাখকৈ টকাকৈ আৰ্থিক সাহায্য। মানৱ সম্পদৰ উপৰি বানত পশুধনৰ বিস্তৰ ক্ষতি হোৱাৰ তথ্য দাঙি ধৰি কয় যে ৫৪, ৮৩৭টা


( দুই পৃষ্ঠাত চাওক)

## সম্পাদকীয়ঃ বৰ্ষাশ্ৰী বুঢ়াগোহাঁই



টিয়কৰ এগৰাকী মেধাবী ছাত্ৰী বৰ্ষাশ্ৰী বুঢ়াগোহাঁই। যোৱা ৮ এপ্ৰিলত তেখেতে সামাজিক মাধ্যমত এটি কবিতা লিখি বাতৰিৰ শিৰোণাম দখল কৰিছে। কাৰৈমাৰী উচ্চতৰ মাধ্যমিক বিদ্যালয়ৰ পৰা পাঁচটা বিষয়ত লেটাৰ সহ মেট্ৰিক পৰীক্ষাত উত্তীৰ্ণ হোৱা বৰ্ষাশ্ৰীয়ে উচ্চতৰ মাধ্যমিক পৰীক্ষাতো বিজ্ঞান বিষয়ত লেটাৰ নম্বৰসহ সুখ্যাতিৰে উত্তীৰ্ণ হৈছিল। বৰ্তমান বৰ্ষাশ্ৰী যোৰহাটৰ দেবীচৰণ বৰুৱা মহাবিদ্যালয়ৰ ছাত্ৰী। মাথো দুটা বাক্য- 'বিপ্লৱী মনটোক যেতিয়া বাৰে বাৰে ৰাষ্ট্ৰদ্ৰোহীৰ আখ্যা দিয়া হয়, তেনেহ'লে মই তেনেকুৱা ৰাষ্ট্ৰদ্ৰোহ কৰি যাম।' তাৰপিছত ১৭ মেত বৰ্ষাশ্ৰীক অসম আৰক্ষীয়ে আটক কৰিছিল বৰ্ষাশ্ৰীক। কেৱল আটক কৰিয়েই ক্ষান্ত নাথাকি ১৮মেত বৰ্ষশ্ৰীক কাৰাগাৰলৈ প্ৰেৰণ কৰা হয়। বৰ্ষাশ্ৰী আজি প্ৰায় দুমাহ ধৰি কাৰাগাৰৰ বন্ধ চাৰিবেৰৰ মাজত সোমাই আছে। এতিয়া ৰাজ্যৰ বুদ্ধিজীৱী, সচেতন নাগৰিকসকল সকলোৱে বৰ্ষাশ্ৰীৰ বাবে মুক্তি বিচাৰিছে। এতিয়া প্ৰশ্ন হৈছে যে কেৱল মথো এটা কবিতাৰ বাবে এগৰাকী ছাত্ৰী ক এইদৰে আজি ৫৭ টা দিন জেলত সোমাইৰখাটো জানো গণতান্ত্ৰিক দেশ এখনৰ আইনী ব্যৱস্থা? এইক্ষেত্ৰত মুখ্যমন্ত্ৰী ডক্টৰ হিমন্ত বিশ্ব শৰ্মায়ে মত পোষণ কৰিছে যে বৰ্ষাশ্ৰীৰ বিষয়ক লৈ এচামে অপপ্ৰচাৰ চলাইছে। বৰ্ষাশ্ৰীক গ্ৰেপ্তাৰ কৰা কথাটো তেখেতে পোনচাতেই নাকচ কৰিছে। তেখেতে কৈছে যে বৰ্ষাশ্ৰী কবিতাৰ বাবে নহয় আলফালৈ যাম বুলি কোৱাৰ বাবেহে গ্ৰেপ্তাৰ কৰিছে। তেখেতে কৈছে বিষয়টো একাংশয়ে ভুলকৈ উলিয়াইছে। যুৱতী গৰাকীক গ্ৰেপ্তাৰ নকৰা হ'লে তেওঁ আলফালৈ গুছি গ'লহেতেন। এবাৰ যদি মাক দেউতাকে দায়িত্ব লয় যে তেওঁ আলফালৈ নাযাই তেন্তে তেওঁক মুক্ত কৰি দিব। এতিয়া অপেক্ষা মাথো সময়লৈকে অনাগত দিশত বৰ্ষাশ্ৰীৰ দৰে এগৰাকী মেধাৱীৰ জীৱন কোনফালে ঢাল লয়।

## বানাক্ৰান্ত শিক্ষাৰ্থীলৈ কিতাপ অনুদানৰ বাবে সাহায্য পুঁজি মুকলি মুখ্যমন্ত্ৰী ড° হিমন্ত বিশ্ব শৰ্মাৰ



ৰঙিলী বাৰ্ত্তাসেৱা- দুমাহৰ ভিতৰতে দুটাকৈ প্ৰলয়ংকৰী বানে ৰাজ্যলৈ নমাই অনা দুৰ্যোগত অসহায় হৈ পৰিছে ক্ষতিগ্ৰস্ত পৰিয়াল। বানে বাসগৃহ উটুৱাই নিয়াৰ লগতে বহু গুৰুত্বপূৰ্ণ নথিপত্ৰ বিশেষকৈ বহুসংখ্যক ছাত্ৰ-ছাত্ৰীৰ পাঠ্যপুথি এই বানত সম্পূৰ্ণৰূপে নষ্ট হৈছে। মুখ্যমন্ত্ৰী ড° হিমন্ত বিশ্ব শৰ্মাই এনে ছাত্ৰ-ছাত্ৰীসকলক সহায় কৰাৰ উদ্দেশ্যে বানাক্ৰান্ত শিক্ষাৰ্থীলৈ কিতাপ অনুদানৰ বাবে সাহায্য পুঁজি মুকলি কৰে। শিক্ষামন্ত্ৰী ডাঃ ৰণোজ পেগু আৰু ৰাজহমন্ত্ৰী যোগেন মহনৰ উপস্থিতিত জনতা ভৱনত মুখ্যমন্ত্ৰী ড° হিমন্ত বিশ্ব শৰ্মাই ১ লাখ ১ হাজাৰ ৫৩৯গৰাকী ছাত্ৰ-ছাত্ৰীক বেংক একাউণ্টৰ জৰিয়তে এহেজাৰ টকাকৈ আগবঢ়ায়। ইয়াৰ বাবে ৰাজ্য চৰকাৰে ব্যয় কৰিছে ১০.১৫ কোটি টকা। মুখ্যমন্ত্ৰী ড° শৰ্মাই এই কথা ঘোষণা কৰি কয় যে ছাত্ৰ-ছাত্ৰীসকলক প্ৰদান কৰা এই ধনৰাশি মুখ্যমন্ত্ৰী সাহায্য পুঁজিৰ পৰা প্ৰদান কৰা হৈছে। এই ধনেৰে ছাত্ৰ-ছাত্ৰীসকলে গ্ৰন্থ ক্ৰয়ৰ লগতে অধ্যয়নত আৱশ্যক হোৱা সামগ্ৰী ক্ৰয় কৰিব পাৰিব। তেওঁ ইয়াকো উল্লেখ কৰে যে বানাক্ৰান্ত শিক্ষাৰ্থীসকলৰ বাবে শিক্ষা বিভাগে ১৫ আগষ্টৰ পূৰ্বে অতিৰিক্তকৈ প্ৰেৰণ কৰিব বিনামূলীয়া পাঠ্যপুথি। শিক্ষা বিভাগে ইয়াৰ বাবে এক অভিযান আৰম্ভ কৰিব। প্ৰতিখন বিদ্যালয়ৰ প্ৰধান শিক্ষকৰ পৰা বানাক্ৰান্ত শিক্ষাৰ্থীসকলক কি কি পাঠ্যপুথি নষ্ট হৈছে অথবা কি কি পাঠ্যপুথিৰ আৱশ্যক, সেই তথ্য সংগ্ৰহ কৰিব।

( দুই পৃষ্ঠাত চাওক)

## একল অভিযানঃনগাঁও অঞ্চলত আচাৰ্য-আচাৰ্যা সকলৰ অভ্যাস আৰু প্ৰশিক্ষণ বৰ্গ আৰম্ভ

ৰঙিলী বাৰ্ত্তাসেৱা- একল অভিযান নগাঁও অঞ্চলৰ অন্তৰ্গত ৰঙা, জাগীৰোড আৰু মিকিৰভেটা এই তিনিটা সঞ্চৰ আচাৰ্য-আচাৰ্যা সকলৰ ১০ দিনীয়া অভ্যাস আৰু প্ৰশিক্ষণ বৰ্গ আৰম্ভ হৈছে। চৰাইবাহী ভোমোৰাগুৰি উচ্চ মাধ্যমিক বিদ্যালয়ত অনুষ্ঠিত এই অভ্যাস আৰু প্ৰশিক্ষণ বৰ্গএগছি বন্তি প্ৰজ্বলনেৰে শুভাৰম্ভ কৰে মৰিগাঁও জিলাৰ বিধায়ক ৰমাকান্ত দেউৰীয়ে। এই বৰ্গত প্ৰত্যেক দিনে পুৱা ৫ বজাৰ পৰা আৰম্ভ হৈ ৰাতি ১০ বজালৈ লৈ সত্ৰ (প্ৰশিক্ষণ) চলিব। এই প্ৰশিক্ষণ বৰ্গৰ শুভাৰম্ভণি অনুষ্ঠানত নগাঁও অঞ্চলৰ অভিযান প্ৰমুখ অতুল মহানন্দ, সঞ্চ প্ৰমুখ ক্ৰমে মঞ্জুমণি কোৱঁৰ, ৰুমি বৰা, মিন্টু বায়নৰ লগতে একল অভিযানৰ কাৰ্যকৰ্তা আৰু আচাৰ্য-আচাৰ্যা সকল উপস্থিত থাকে।

# কচুৱাত বিদ্যুৎ বিভাগৰ বিৰুদ্ধে পৰিবহন শ্ৰমিক সন্থাৰ লগতে ৰাইজৰ তীব্ৰ প্ৰতিবাদ




ৰঙিলী বাৰ্তাসেৱা- নগাঁও জিলাৰ কঠিয়াতলী উপসংমণ্ডলৰ অন্তৰ্গত কচুৱা তিনিআলিত বিদ্যুৎ বিভাগৰ বিৰূদ্ধে তীব্ৰ প্ৰতিবাদ সাব্যস্ত কৰে স্থানীয় ৰাইজৰ লগতে পৰিবহন শ্ৰমিক সন্থাই । প্ৰতিবাদকাৰী সকলৰ মতে যি খিনি সময়ত বি জে পি চৰকাৰে ২৪ ঘণ্টা বিদ্যুৎ সেৱা দিয়াৰ কথা কৈছিল সেইখিনি সময়ত ২৪ ঘন্টা বাদেই মাত্ৰ কেইটামান ঘণ্টা বিদ্যুৎ সেৱা প্ৰদান কৰি ৰাইজক হাৰাশাস্তি কৰি থকা হৈছে বুলি মন্তব্য কৰিছে। কঠিয়াতলী উপ সংমণ্ডলৰ অন্তগত সকলো অঞ্চলত বিদুৎ সেৱা নাপায় উৎকট গৰমত জলাকলা খোৱাইছে। ইয়াৰ ওপৰিও প্ৰতি মাহে অধিক বিদ্যুৎ বিল অহা বুলিও জানিব দিয়ে প্ৰতিবাদ কাৰী সকলে। প্ৰতিবাদকাৰী সকলে বিদ্যুত বিভাগ হাই হাই ; কঠিয়াতলী বিদ্যুত সংমণ্ডল মুৰ্দাবাদ আদি ধ্বনিৰে পৰিবেশ উত্তাল কৰি তুলে।

# মন্ত্ৰী বিমল বৰাৰ নামত দুষ্টচক্ৰৰ প্ৰৱঞ্চনাৰ জাল



ৰঙিলী বাৰ্তাসেৱা- চাইবাৰ অপৰাধীৰ জালত মন্ত্ৰী বিমল বৰা। মন্ত্ৰী বিমল বৰাৰ নামত দুষ্টচক্ৰৰ প্ৰৱঞ্চনাৰ জাল মন্ত্ৰীগৰাকীৰ নামত ভুৱা হোৱাটছএপ একাউন্ট খুলি ধন দাবী। অনলাইনৰ জৰিয়তে ধন বিচাৰে এই চক্ৰটোৱে। ইতিমধ্যে মন্ত্ৰীজনৰ নামত বহুজনৰ পৰা দুষ্ট চক্ৰটোৱে ধন সৰকাইছে বুলি অভিযোগ উঠিছে। ৭৭৮০৯১৫০৮৬ নম্বৰটো ব্যৱহাৰ কৰি দুষ্ট চক্ৰটোৱে বিভিন্ন ব্যৱসায়ী, বিষয়ালৈ ধন বিচাৰি মেচেজ দিছিল। ফোন কৰিব মানা কৰি মেছেজত কথা পাতিব কোৱা হৈছিল। এই সন্দৰ্ভত দিছপুৰ থানাত মন্ত্ৰীগৰাকীয়ে এজাহাৰ দাখিল কৰিছে।

# ৰাছিয়াৰ আক্ৰমণত নিহত হ'ল ইউক্ৰেইনৰ খেলুৱৈ ডাৰিয়া কুৰ্দেল



ৰঙিলী বাৰ্তাসেৱা- ৰাছিয়া আৰু ইউক্ৰেইনৰ মাজত এতিয়াও চলি আছে যুদ্ধ। যুদ্ধত হাজাৰ-বিজাৰ লোকে প্ৰাণ হেৰুৱাইছে। চলিত বৰ্ষৰ ২০ ফেব্ৰুৱাৰীৰ পৰা ৰাছিয়া আৰু ইউক্ৰেইনৰ মাজত যুদ্ধ আৰম্ভ হৈছিল আৰু এতিয়ালৈকে যুদ্ধ চলি আছে। এইবাৰ ৰাছিয়াৰ গুলীচালনাত নিহত হ'ল ইউক্ৰেইনৰ এগৰাকী প্ৰতিভাৱান খেলুৱৈ ডাৰিয়া কুৰ্দেল। ৯ জুলাইত ইনহুলেটৰ আৱাসিক এলেকাত মিছাইল আক্ৰমণৰ ফলত প্ৰতিভাৱান খেলুৱৈগৰাকী আঘাতৰ ফলত মৃত্যু হয়। অশেষ চেষ্টাৰ অন্ততো তেওঁৰ প্ৰাণ ৰক্ষা কৰিব পৰা নগ'ল। নেচনেল ইউনিভাৰ্চিটি অৱ ওডেচা ল একাডেমীৰ ফেচবুক পৃষ্ঠাত এই কৰুণ খবৰটো ঘোষণা কৰা হৈছিল। গুলীবৰ্ষণৰ সময়ত ডাৰিয়াই তাইৰ দেউতাকৰ সৈতে ক্ৰীড়া খেলপথাৰত প্ৰশিক্ষণ লৈ আছিল। দুয়োকে চিকিৎসালয়ত ভৰ্তি কৰোৱা হৈছিল, কিন্তু ডাৰিয়াৰ জীৱন ৰক্ষা নপৰিল। উল্লেখযোগ্য যে ২০ বছৰীয়া ডাৰিয়া কুৰ্দেল ডান্স স্পৰ্টছৰ বিশেষজ্ঞ আছিল। ডান্স স্পৰ্টছ ৰাছিয়া আৰু ইউক্ৰেইন অঞ্চলৰ এক অতি বিখ্যাত খেল, যিটো সদায় শিৰোনামত থাকে। ডাৰিয়া কুৰ্দেল এগৰাকী দায়িত্বশীল, স্মাৰ্ট আৰু উচ্চাকাংক্ষী ছোৱালী আছিল। তেওঁ বহুতো আন্তৰ্জাতিক নৃত্যক্ৰীড়া প্ৰতিযোগিতাৰ বিজয়ী আছিল।

# কৰ্তব্যত হেমাহি কৰা চিকিৎসকসহ ৯গৰাকী স্বাস্থ্য কৰ্মীক নিলম্বন



ৰঙিলী বাৰ্তাসেৱা- এগৰাকী গৰ্ভৱতী মহিলাৰ চিকিৎসাত গাফিলতিৰ কৰাৰ অভিযোগত ডিমা হাচাওত চিকিৎসকসহ ৯গৰাকী স্বাস্থ্যকৰ্মীক নিলম্বন কৰা হৈছে। কৰ্তব্যত হেমাহি কৰাৰ বাবেই লোৱা হৈছে এই সিদ্ধান্ত। জানিব পৰা মতে ডিমা হাচাওৰ খেপ্ৰা স্বাস্থ্য কেন্দ্ৰলৈ সংকটজনক অৱস্থাত প্ৰসূতি গৰাকীক লৈ যোৱা হৈছিল। কিন্তু স্বাস্থ্য কেন্দ্ৰটোৰ দুৱাৰত লাগি আছিল এটা প্ৰকাণ্ড তলা। তাৰ পিছতেই ছ'চিয়েল মিডিয়াত ভাইৰেল হৈ পৰিছিল প্ৰসৱ বেদনাত ছটফটাই থকা মহিলাগৰাকীৰ ভিডিঅ'। এই ঘটনাৰ পিছতে তদন্তৰ অন্তত কৰ্তব্যত হেমাহি তথ্য পোহৰলৈ অহাত লগে লগেই চিকিৎসকসহ ৯ জন কৰ্মচাৰীক নিলম্বন কৰাৰ হ'ল।

# ৰিয়েলিটি শ্ব' ইণ্ডিয়ান আইডলৰ গুৱাহাটীত অনুষ্ঠিত অডিচনত অংশগ্ৰহণকাৰীৰ ভিৰ




ৰঙিলী বাৰ্তাসেৱা- ছ'নি এণ্টাৰটেইনমেণ্ট টেলিভিছনত অতি শীঘ্ৰে সম্প্ৰচাৰিত হ'বলগীয়া বহু প্ৰতীক্ষিত গানৰ ৰিয়েলিটি শ্ব' ইণ্ডিয়ান আইডলৰ অডিচন গুৱাহাটীত অনুষ্ঠিত হয়।গুৱাহাটীৰ ডন বস্কো ইনষ্টিটিউট, ডন বস্কো ইনষ্টিটিউট অৱ মেনেজমেণ্ট জয়পুৰ, খাৰঘুলীত পুৱা ৮ বজাৰ পৰা আৰম্ভ হোৱা অডিচন ৰাউণ্ডত অনুষ্ঠানস্থলীত প্ৰায় ৫৫০ গৰাকী অংশগ্ৰহণকাৰীক দেখা গৈছিল। উল্লেখযোগ্য যে ইণ্ডিয়ান আইডল হৈছে এক এনে অনুষ্ঠান যি সংগীতৰ ক্ষেত্ৰখনৰ কেঁচা প্ৰতিভাক চিনাক্ত কৰে আৰু এক ৰাষ্ট্ৰীয় মঞ্চ প্ৰদান কৰি আৰু তেওঁলোকক তাৰকা কৰ তোলে। বিশেষকৈ ২০০৪ চনত প্ৰিমিয়াৰ হোৱা অনুষ্ঠানটোৱে দেশবাসীক বহুতো বিস্ময়কৰ কণ্ঠ স্বৰ প্ৰদান কৰিছে যেনে ছলমান আলী (ছীজন ১০ৰ বিজয়ী), ছানী হিন্দুস্তানী (ছীজন ১১ৰ বিজয়ী), আৰু ছীজন ১২ৰ আটাইতকৈ শেহতীয়া বিজয়ী পৱনদীপ ৰাজন। যিসকলে দেশখনক মতলীয়া কৰি তুলিছিল। এতিয়া ছীজন ১৩ৰ সৈতে উভতি আহিছে বহু প্ৰতীক্ষিত গানৰ ৰিয়েলিটি শ্ব' ইণ্ডিয়ান আইডল।


# ৰাজ্যৰ শেহতীয়া

ঘৰচীয়া পশুধনৰ চলিত বৰ্ষৰ বানত মৃত্যু হয়। অৱশ্যে কাজিৰঙা ৰাষ্ট্ৰীয় উদ্যানত পশুধনৰ কোনো ক্ষতি নোহোৱা বুলি মুখ্যমন্ত্ৰীয়ে কয়। আনহাতে, শস্য ক্ষতিগ্ৰস্ত হোৱাৰ তথ্য উল্লেখ কৰি কয় যে দুয়োটা বানত এতিয়ালৈ ২, ৪০, ০৯৬ হেক্টৰ ভূমিৰ শস্য নষ্ট হৈছে। মুখ্যমন্ত্ৰীয়ে আৰু কয় যে বানৰ ভয়াৱহতা ইমানেই বেছি আছিল যে যাৰ বাবে মথাউৰি, পথৰ অস্থায়ী স্থানকে ধৰি শিবিৰসমূহত আশ্ৰয় লৈ থকা সৰ্বমুঠ লোকৰ সংখ্যা আছিল ৭, ৪২, ২৫০গৰাকী। আশ্ৰয় শিবিৰ আৰু অস্থায়ী শিবিৰত থকা এইসকল লোকৰ মাজত ২, ১৯, ২৯৯ কুইন্টল চাউল বিতৰণ কৰাৰ তথ্য দাঙি ধৰে। সেইদৰে ৪৩ হাজাৰ কুইন্টল দাইল, ৭৮, ১২৯ লিটাৰ মিঠাতেল বিতৰণ কৰা হৈছে।

# বানাক্ৰান্ত শিক্ষাৰ্থীলৈ

তাৰ ভিত্তিতে সংশ্লিষ্ট জিলাসমূহলৈ অতিৰিক্তভাৱে বিনামূলীয়াকৈ বিভাগে পাঠ্যপুথিসমূহ প্ৰেৰণ কৰিব। আনহাতে, মুখ্যমন্ত্ৰী ড° শৰ্মাই জানিবলৈ দিয়ে যে বানত যিসকল ছাত্ৰ-ছাত্ৰীৰ নথিপত্ৰ নষ্ট হৈছে অথবা যিসকল বানাক্ৰান্তৰ মাটি সম্পৰ্কীয় বা শিক্ষা সম্পৰ্কীয় তথা আন গুৰুত্বপূৰ্ণ চৰকাৰী নথি নষ্ট হৈছে, সেইসমূহ নথি যাতে চৰকাৰী বিভাগসমূহে সোনকালে উলিয়াই দিয়ে, তাৰ বাবে এক নিৰ্দেশ প্ৰদান কৰা হ'ব। প্ৰতিটো বিভাগলৈ এই সম্পৰ্কীয় নিৰ্দেশ অচিৰেই প্ৰেৰণ কৰা হ'ব। সমান্তৰালভাৱে ক্ষুদ্ৰ লোন লোৱাসকলৰ বাবেও অচিৰেই কিছু সকাহ অহাৰ সম্ভাৱনা আছে বুলিও তেওঁ উল্লেখ কৰে। কেন্দ্ৰীয় চৰকাৰে অসমৰ বানক জটিল দুৰ্যোগ বুলি ঘোষণা কৰাৰ পাছতে এইক্ষেত্ৰত ক্ষতিগ্ৰস্ত বানাক্ৰান্তই সকাহ লাভ কৰিব।

# চচিয়েল মিডিয়াত বৰ্ষাশ্ৰীৰ মুক্তি বিচাৰি প্ৰতিবাদৰ জোৱাৰ



ৰঙিলী বাৰ্ত্তাসেৱা- এটা কবিতালৈ চৰকাৰৰ ইমান ভয়! কাৰাবন্দী এগৰাকী ১৯ বছৰীয়া ছাত্ৰী। ছোৱালীজনীৰ নাম বৰ্ষাশ্ৰী শদিয়াখোৱা বুঢ়াগোহাঁই। দুটা মাহে কাৰাগাৰত বন্দী বৰ্ষাশ্ৰী বুঢ়াগোহাঁই। বৰ্ষাশ্ৰী বুঢ়াগোহাঁইক যোৱা ১৮ মে'ত আৰক্ষীয়ে আটক কৰিছিল। বিগত দুটা মাহে কাৰাগাৰত দিন কটাবলগা হৈছে বৰ্ষাশ্ৰীয়ে। জুলাইৰ ওঠৰ তাৰিখে বৰ্ষাশ্ৰী কাৰাৰুদ্ধ হৈ থকাৰ দুমাহ সম্পূৰ্ণ হ'ব। জাতীয়তাবাদী চিন্তাৰ এটা কবিতা লিখি বৰ্ষাশ্ৰীয়ে ফেচবুকত আপলোড কৰি দিয়া বাবেই অসম আৰক্ষীয়ে আটক কৰি ছোৱালীজনীক জে'লত বন্দী কৰি থৈছে।

অহা ১৮জুলাইৰ পৰা যোৰহাটৰ ডি চি বি কলেজৰ ডিগ্ৰী ছেকেণ্ড চেমিষ্টাৰৰ পৰীক্ষা। অংক শাস্ত্ৰত অনাৰ্চৰ ছাত্ৰী বৰ্ষাশ্ৰী। সম্ভাৱনাপূৰ্ণ মেধাৱী ছাত্ৰীজনীক অবিলম্বে কাৰাগাৰৰ পৰা মুক্ত কৰি তাইক পৰীক্ষাত বহাৰ সুবিধা কৰি দিবলৈ দাবী জনাইছে। উল্লেখযোগ্য যে, এতিয়া চচিয়েল মিডিয়াত বৰ্ষাশ্ৰীৰ মুক্তি বিচাৰি প্ৰতিবাদৰ জোৱাৰ। ইতিমধ্যে চচিয়েল মিডিয়াত এই সন্দৰ্ভত ব্যাপক প্ৰতিক্ৰিয়াৰ সৃষ্টি হৈছে আৰু সকলোৱে অতি সোনকালে মুক্তিৰ দাবী জনাইছে। চচিয়েল মিডিয়াত ৰাজ্যৰ বিশিষ্ট সাংবাদিক মনোজ গোস্বামীয়ে লিখিছে যে, "মূল্যবৃদ্ধিক লৈ কৰা পথ নাটকৰ বাবে নগাঁৱৰ বিৰিঞ্চিক গ্ৰেপ্তাৰ। জাতীয়তাবাদী চিন্তাৰ কবিতা লেখাৰ বাবে টীয়কৰ বৰ্ষাশ্ৰী দুমাহ ধৰি জেলত। হৈছে কি? বিষ্ণুপ্ৰসাদ ৰাভা, হীৰেন ভট্টাচাৰ্যই বিদ্ৰোহৰ কবিতাৰে পৃষ্ঠা ভৰাই তুলিছিল। তেওঁলোকৰ কবিতা আজি শাসকসকলেও আওৰাই আছে, অনুষ্ঠানো পাতিছে। বৰ্ষাশ্ৰীৰ মুক্তিৰ সজোৰ দাবী জনালো। "চচিয়েল মিডিয়াত বিভিন্নজনে লিখিছে, "এনে কবিতা লিখিলেও জেলৰ ভাত খাব লাগে? ভয়ংকৰ দিন আহিছে দেখোন! নে আন কিবা আছে ৰহস্যৰ আঁৰত। কবিসকল সাৱধান। আন একাংশই চৰকাৰক সমালোচনা কৰি লিখিছে, এইটো কবিতা লিখাৰ বাবে যদি জে'ল খাটিব লাগে আমাকো জে'লত দিয়ক। কাৰণ আমি এইখন চৰকাৰৰ এনে অন্যায়ৰ ঘূৰ বিৰোধিতা কৰিছো। ইমান সৰু ছোৱালী জনিক ভয় কৰা এইখন ভিকহু চৰকাৰ। হেৰো তাইক পৰীক্ষাত বঢ়িব দে !! দুদিন আগত ৰাজ্য চৰকাৰৰ ডিজিপি মহাশয়ে পঢ়া-শুনা নকৰা মানুহৰ কি উন্নতি হৈছে তাৰহে উপদেশ দি থকা দেখা পালো। এওঁলোকে পঢ়া শুনা কৰা মানুহক ভয় কৰে।

# ৰাজ্য প্ৰশাসনত বৃহৎ ৰদ-বদল




ৰঙিলী বাৰ্ত্তাসেৱা- কাছাৰ জিলাৰ উপায়ুক্ত কীৰ্তি জল্লীক বদলি। কামৰূপৰ নতুন উপায়ুক্তৰূপে বদলি কীৰ্তি জল্লীক। এতিয়াৰে পৰা কামৰূপ জিলাৰ উপায়ুক্ত ৰূপে সেৱা আগবঢ়াব কীৰ্তি জল্লীয়ে। কামৰূপৰ উপায়ুক্ত কৈলাস কাৰ্তিক এনক পি এইচ ইৰ অতিৰিক্ত সচিব পদলৈ বদলি। হাইলাকান্দিৰ উপায়ুক্ত ৰোহন কুমাৰ ঝাক বদলি। কাছাৰৰ উপায়ুক্তৰূপে বদলি ৰোহন কুমাৰ ঝাক। গোৱালপাৰাৰ উপায়ুক্ত মীনাক্ষি দাস নাথক বদলি।সাংস্কৃতিক বিভাগৰ সঞ্চালকৰ দায়িত্ব মীনাক্ষি দাস নাথক। গোৱালপাৰাৰ নতুন উপায়ুক্ত হ'ব খনীন্দ্ৰ চৌধুৰী। বৰপেটাৰ উপায়ুক্ত তেজ প্ৰসাদ ভূষালক বদলি। গৃহ বিভাগৰ অতিৰিক্ত সচিবৰ দায়িত্ব ভূষালক।নগাঁৱৰ উপায়ুক্ত এইচ এন গৌতমক বদলি। এইচ এন গৌতমক হাইলাকান্দিৰ উপায়ুক্তৰূপে বদলি। চিৰাঙৰ উপায়ুক্ত নৰেন্দ্ৰ কুমাৰ শ্বাহক বদলি। নগাঁৱৰ উপায়ুক্তৰূপে বদলি নৰেন্দ্ৰ কুমাৰ শ্বাহক। চিৰাঙৰ নতুন উপায়ুক্ত হ'ব পি বিজয়া ভাস্কৰ ৰেড্ডী। বাক্সাৰ উপায়ুক্ত আয়ুস গাৰ্গক বদলি।বৰপেটাৰ উপায়ুক্তৰূপে বদলি আয়ুস গাৰ্গক। বৰপেটাৰ উপায়ুক্ত তেজ প্ৰসাদ ভূষালক গৃহ আৰু ৰাজনীতি বিভাগৰ অতিৰিক্ত সচিব পদলৈ বদলি কৰা হৈছে। বাক্সাৰ নতুন উপায়ুক্ত হ'ব এম এম পাৰ্টিন।

# ২০৩৬ চনৰ ভিতৰত অসমৰ জনসংখ্যা হ'বগৈ ৪ কোটি



ৰঙিলী বাৰ্ত্তাসেৱা- ২০২৩-ত বিশ্বৰ আটাইতকৈ জনবহুল দেশ হ'ব ভাৰত। ৰাষ্ট্ৰসংঘই প্ৰকাশ কৰা এখন প্ৰতিবেদন মতে, বিশ্বৰ আটাইতকৈ বেছি জনবহুল দেশ হিচাপে অহা বছৰ চীনক ভাৰতে চেৰ পেলাব। প্ৰতিবেদনখনত লগতে, এই বছৰৰ নৱেম্বৰৰ মাজভাগত বিশ্বৰ জনসংখ্যা ৮ বিলিয়ন (৮০০কোটি) হ'ব বুলি ভৱিষ্যদ্বাণী কৰা হৈছে। ৰাষ্ট্ৰসংঘৰ অৰ্থনৈতিক আৰু সামাজিক পৰিক্ৰমা বিভাগৰ জনসংখ্যা শাখাই প্ৰস্তুত কৰা 'দ্য ৱৰ্ল্ড পপুলেশ্যন প্ৰছপেক্ট ২০২২' ত কোৱা হৈছে যে ২০২২ চনৰ ১৫ নৱেম্বৰত বিশ্বৰ জনসংখ্যা ৮ বিলিয়ন হ'বগৈ। ২০২৩ চনত অতি জনবহুল দেশ হিচাপে ভাৰতে চীনক চেৰ পেলাব। দুয়োখন দেশত বৰ্তমান জনসংখ্যা ১.৪ বিলিয়নতকৈও বেছি। ২০২২ চনত ভাৰতৰ জনসংখ্যা ১.৪১২ বিলিয়ন আৰু চীনৰ ১.৪২৬ বিলিয়ন। ২০৫০ চনৰ ভিতৰত ভাৰতৰ সংখ্যা ১.৬৬৮ বিলিয়ন আৰু চীনৰ জনসংখ্যা ১.৩১৭ বিলিয়ন হ'ব। ২০৫০ চনৰ ভিতৰত বিশ্বত যিমান জনসংখ্যা বাঢ়িব, তাৰ ৫০ শতাংশ মাত্ৰ আঠখন দেশত কেন্দ্ৰীভূত হৈ থাকিব। ইফালে অসমতো দ্ৰুত গতিত বৃদ্ধি পাইছে জনসংখ্যা। অসমত প্ৰতি বছৰে বৃদ্ধি পাই আছে ১ শতাংশ হাৰত জনসংখ্যা। যাৰ ফলত ২০৩৬ চনৰ ভিতৰত অসমৰ জনসংখ্যা হ'বগৈ ৪ কোটি। ৰাষ্ট্ৰীয় জনসংখ্যা আয়োগে শেহতীয়াকৈ প্ৰকাশ কৰা প্ৰতিবেদন অনুসৰি ২০৩৬ চনলৈকে অসমৰ জনবসতি প্ৰতি বৰ্গ কিল'মিটাৰত ৩৯৮ গৰাকীৰ পৰা ৫০২ জনলৈ বৃদ্ধি হ'ব। জনসংখ্যা বৃদ্ধিৰ হাৰে অসমৰ লিংগ অনুপাত বৰ্তমানৰ ৯৫৮ৰ পৰা৯৭৬ লৈ বৃদ্ধি হোৱাৰ সম্ভাৱনা আছে। প্ৰতিবেদন অনুসৰি ২০৩৬ ত পুৰুষৰ জনসংখ্যা ১,৯৯,৩৫,০০০ হোৱাৰ সম্ভাৱনা আছে।আনহাতে মহিলাৰ জনসংখ্যা ১,৯৪,৬৪,০০০ হোৱাৰ সম্ভাৱনা আছে।

# ২৮০গৰাকী বিশেষভাৱে সক্ষম প্ৰাৰ্থীক শিক্ষকৰ নিযুক্তি পত্ৰ প্ৰদান



ৰঙিলী বাৰ্ত্তাসেৱা- শিক্ষা বিভাগত ২৮০ গৰাকী বিশেষভাৱে সক্ষম প্ৰাৰ্থীলৈ নিম্ন উচ্চ প্ৰাথমিক বিদ্যালয়ৰ শিক্ষক পদৰ নিযুক্তি পত্ৰ বিতৰণ কৰা হয়। এই অনুষ্ঠানত মুখ্য অতিথি হিচাপে উপস্থিত থাকি শিক্ষা মন্ত্ৰী ডাঃ ৰণোজ পেগুৱে কয় যে, "অসমত নিকাকৈ শিক্ষক নিযুক্তিৰ এটা ধাৰা মুখ্যমন্ত্ৰীয়ে সৃষ্টি কৰিলে। তামোল এখন নিদিয়াকৈও এতিয়া চাকৰি পায়। আগষ্ট-ছেপ্টেম্বৰত ভাল খবৰ আহিব।এক লাখ নিযুক্তিৰ যি প্ৰতিশ্ৰুতি আছিল লাহে লাহে এনেদৰেই পূৰ্ণ কৰিব চৰকাৰে। তেওঁ লগতে কয় যে, ব্যতিক্ৰমী স্থানক বাদ দি ৩০ গৰাকীতকৈ কম ছাত্ৰ-ছাত্ৰী থাকিলে সেই বিদ্যালয় থাকিব নালাগে। বিদ্যালয় সমূহত একত্ৰিকৰণ হ'বই।ছেবাই এটা এপ উলিয়াইছে, খুব সোনকালে নৱম-দশমৰ শিক্ষাৰ্থীৰ পৰীক্ষা সেই এপৰ জৰিয়তে পতা হ'ব। কেইজনমান শিক্ষকে বিদ্যালয়লৈ নাযায়, ৰাজনীতি কৰে, এল আই চিৰ কাম কৰে। ভাল শিক্ষককো বিপদত পেলাই ৰিমছ এপতো সেই কেইজনমান বেয়া শিক্ষকে আপত্তি কৰিছিল। আনহাতে বদলিকৰনৰ বাবে পৰ্টেলৰ জৰিয়তে আবেদন কৰিব লাগিব বুলি উল্লেখ কৰি শিক্ষা মন্ত্ৰী গৰাকীয়ে শিক্ষা বিভাগৰ ক'তো ফাইল নাই, বদলিৰ আবেদন পৰ্টেল মতে জনাব লাগিব স্পষ্ট কৰি দিয়ে।

৩২ আহাৰ ১৪২৭ চন Rongili Barta, Date of Publication-- 17 July, 2022

# বৰষা ঋতু ভাল পাওঁ মই

**কবিতা শৰ্মা, দিল্লী**



নীল অঞ্জন ঘন পুঞ্জ ছায়াই সম্বৃত অম্বৰ হে গম্ভীৰ, হে গম্ভীৰ বৰ্ষণ গীত হলো মুখৰিত মেঘ যন্দ্ৰিত ছন্দে কদম্ব বন গভীৰ মগন আনন্দ ঘন গন্ধে ...ৰবীন্দ্ৰনাথ

আজি কিছুদিন আগতে মোৰ বান্ধবী এগৰাকীয়ে উল্লেখিত ৰবীন্দ্ৰ সঙ্গীত টো আমাৰ গ্ৰুপত শ্বেয়াৰ কৰি গীতটো মোক গাবলৈ অনুৰোধ কৰিছিল। শুনিবলৈ বৰ মধুৰ গীতটো আছিল গাবলৈ কিছু কঠিন। তথাপিও দুদিনৰ অশেষ পৰিশ্ৰমৰ অন্তত শব্দৰ উচ্চাৰণ, সুৰ, কণ্ঠ কিছু ঠিক ঠাক ৰাখিবৰ প্ৰয়াস কৰি গীতটো ৰেকৰ্ডিং কৰিলোঁ আৰু গীতটো আমাৰ গ্ৰুপত শ্বেয়াৰ কৰিলোঁ। মোৰ বান্ধবী সকলে মোৰ কণ্ঠত ৰবীন্দ্ৰ সঙ্গীতটো কিমান উপভোগ কৰিব পাৰিলে সেই বিষয়ে মই কব নোৱাৰিলেও মই নিজেই যেন গীতটোৰ মাজত সোমাই পৰিলোঁ। বিশেষকৈ জীৱনৰ একঘেয়েমিৰ মাজত নিৰস হৈ পৰা মনটো আকৌ এবাৰ জীপাল হৈ উঠিল। মনটো উৰা মাৰিলে শৈশৱৰ সোণোৱালী দিনবোৰলৈ ... স্মৃতিৰ মণিকোঠাত সযতনে সাঁচিথোৱা বৰষুনৰ স্মৃতি ... সেই চিনাকি বৰষুণ জাক ...লগ সমনীয়াৰ লগত বৰষুণত তিতাৰ আমেজ ... হাঁহি-ধেমালি ... কিযে এক মিঠা অনুভূতিয়ে হৃদয়ত টোকৰ দিলেহি ! এয়াই যে মোৰ মোৰ প্ৰিয় ঋতু বৰ্ষা ...

প্ৰতিজন মানুহৰে নিজস্ব একোটা বিশেষ প্ৰিয় ঋতু থাকে। যদিও অসমৰ প্ৰতিটো মাহ, প্ৰতিটো ঋতুতে প্ৰকৃতিয়ে নৱ ৰূপ ধাৰণ কৰি চৌদিশ অপৰূপ সৌন্দৰ্য্যৰে ভৰাই তোলে . তথাপি বৰ্ষা ঋতুৰ এক সুকীয়া মাদকতা আছে। কলীয়া মেঘ এজাকে হঠাতে গোটেই আকাশ ছানি ধৰে ... গোমা গোমা পৰিবেশৰ মজতে চকামকা ৰ'দ এজাকে আকাশত লুকাভাকু খেলে ... হঠাতে কজলা মেঘডৰা আঁতৰাই মুষলধাৰে নামি আহে বৰষুণ জাক ! শুকান মাটিত বৰষুণ পৰি সৃষ্টি হোৱা এটি চিনাকি সুবাস নাকত ধৰেহি ... এয়া যে শাওণৰ সুবাস ..এই সুবাস বিয়পি পৰে সৰ্বত্ৰ ... সোণাৰুৰ হালধীয়া হাঁহিত কৃষ্ণচূড়াৰ সুৰুঙাৰে নিগৰি অহা ৰ'দ কাচিয়লিত, ৰাধাচুড়াৰ কোমল পাহিত। এনে লাগে যেন প্ৰকৃতিৰ সকলো সৌন্দৰ্য্য বৰ্ষাৰ বুকুতে নিহিত হৈ থাকে, যেনেকৈ নিহিত হৈ থাকে মুঠি মুঠি সেউজ প্ৰতিশ্ৰুতি। সেয়ে হয়তো কবিজনাই লিখিছে এইদৰে --

দহন শয়ন তপ্ত ধৰণী পৰেছিল পিপাসাৰ্ত
পাঠালে তাহাৰে ইন্দ্ৰলোকেৰ
অমৃত বাৰিৰ বাৰ্তা মাটিৰ কঠিন
বাধা হলো ক্ষীণ
দিকে দিকে হলো দীৰ্ণ
নব অঙ্কুৰ জয় পতাকাই ধৰাতল
সমাকীৰ্ণ
চিন্ন হয়েছে বন্ধন বন্দীৰ

এক বিন্দু পানীৰ বাবে আকাশলৈ উন্মুখ হৈ বৈ থকা চাতকৰ দৰে চৌফলীয়া ৰ'দত আতুৰ হৈ পৰা ধৰণীৰ বুকুলৈ মুষলধাৰে নামি অহা বৰষুণ জাকে নমাই আনে আৰ্দ্ৰতা, প্ৰকৃতিৰ বুকুলৈ নামি আহে শীতলতা ... কৃষকৰ বুকুলৈ নমাই আনে এমুঠি সেউজীয়া প্ৰতিশ্ৰুতি। কৃষকে আশাৰ পথাৰত সেউজীয়া সপোন সিচি নতুন উদ্দমেৰে বাট চাই ৰয় সেউজীয়াৰ পৰা হালধীয়া হোৱাৰ পৰিক্ৰমাত। অনাগত দিনত এই বৰষুণ জাকেই আনি দিয়ে বাস্তৱৰ এখন সোণোৱালী জীয়া ছবি আৰু ন-ন আশাৰ ৰেঙণি। সৃষ্টিৰ আকুলতাত সম্ভাবনাময় হৈ উঠে কৃষিপথাৰ। অৱশ্যে বহুতেই হয়তো ভাবিব পাৰে গুৱাহাটীৰ দৰে কংক্ৰিটৰ মহানগৰীত বাস কৰা মানুহৰ এনে বৰ্ষা প্ৰীতি স্বতঃস্ফূৰ্ত আৰু স্বাভাৱিক নহয়। বৰঞ্চ ই কাব্যিক সংস্কাৰৰ ফলত সৃষ্টি হোৱা এক কৃত্ৰিম প্ৰীতিহে। অৱশ্যেই অপৰিকল্পিতভাৱে সজা বাট পথ, নলা - নৰ্দমাৰ চহৰখনত পানী নিষ্কাষনৰ সুস্থ ব্যৱস্থা নথকা বাবে জলবদ্ধতা সৃষ্টি হোৱা পৰিস্থিতিত বৰ্ষাকাল খুব এটা উপভোগ্য বুলি নিশ্চয় কব নোৱাৰি। বিশেষকৈ দৈনন্দিন প্ৰয়োজনত বাহিৰ ওলাই যাব লগীয়া মানুহৰ বাবে। এজাক বৰষুণ পৰাৰ লগে লগে ছাৰিওফালৰ বাট-পথ একাঠু পানীৰে ভৰি পৰে। মহানগৰী পৰে কৃত্ৰিম বানৰ কবলত। স্বাভাৱিক জীৱন যাত্ৰা হৈ পৰে অসহজ, বিপন্ন। ঘৰবোৰৰ পৰিত্যক্ত আবৰ্জনা, ময়লা, পলিথিন আদিৰে বন্ধ হৈ পৰা নলা নৰ্দমাবোৰ পানীৰে উপচি পৰি বাট পথ পানীৰে একাকাৰ হৈ সৃষ্টি হয় নৰক সদৃশ পৰিৱেশৰ। এতিয়াও মনত পৰে বৰ্ষামুখৰ এনে এটা দিনতে কাৰ্য্যালয়ৰ পৰা ঘৰলৈ উভতাৰ পথত ঘাইপথ-পদপথ পানীৰে একাকাৰ হৈ পৰা সাগৰ সদৃশ পৰিস্থিতিত পানীত পৰি তিতিবুৰি একাকাৰ হোৱা দৃশ্য ... সেই সময়ত কোনোমতে ৰিক্সা এখন পাই দেবদূত স্বৰূপ ৰিক্সাৱালা (সেই সময়ৰ মোৰ অনুভৱ) টোক কাকূতি-মিনতি কৰি কেনেকৈ ঘৰ পাইছিলোঁ গৰম পানীৰে ঘঁহিপিহি গা ধোৱাৰ পাছতো বহুসময় ধৰি নিজকে অপৰিচ্ছন্ন অনুভৱ কৰিছিলোঁ। বৰষুণ শেষ হোৱাৰ বহুত দিনৰ পাছতো ছাৰিওকাষৰ কৰ্দমাক্ত বাট-পথৰ অৱশিষ্ট গ্লানি ধুই নিকা কৰিব নোৱাৰিছিল তীব্ৰ ৰ'দ জাকেও। মধ্য বয়সৰ সেই বৰ্ষাকালীন তিক্ত অভিজ্ঞতাৰ কথা মনত পৰিলে, বৰ্তমান সময়ৰ মোৰ এই বৰ্ষা প্ৰীতি বিশ্লেষণ কৰি পোৱা কাৰণটো নিশ্চয়কৈ অবিচ্ছেদ্য ভাবে মোৰ শৈশৱৰ লগত জড়িত ... মই ডাঙৰ-দীঘল

*(আঠপৃষ্ঠাত চাওক)*

# বিশ্বৰ সবাতোকৈ কনিষ্ঠ প্ৰেচিডেন্ট

**দেৱীকা বৰপূজাৰী, মুম্বাই**



এই খবৰ দক্ষিণ আমেৰিকাৰ Chile ৰ ৰাজধানী চানটিয়াগো ৰ। লেটিন আমেৰিকাৰ এই দেশত পোন প্ৰথমবাৰৰ বাবে, কৱলৈ গলে পৃথিৱীৰ ভিতৰতে কম বয়সীয়া প্ৰেচিডেন্ট Chile ৰ ৰাইজে মনোনীত কৰিলে- ৩৬ বছৰীয়া গাবৰীয়েল বৰিক ( Gabriel Boric)ক। বাওঁপন্থী, আইনৰ ছাত্ৰ নেতা Boric য়ে Chile ৰ জনসাধাৰণৰ জীৱন উন্নত কৰিবলৈ দৃঢ় প্ৰতিজ্ঞ হৈ অলপতে নৱ নিৰ্বাচিত প্ৰেচিডেন্ট হিচাবে শপত গ্ৰহণ কৰে।

Boric মাথো চাৰি বছৰীয়া আছিল- ১৭ বছৰীয়া একনায়কত্ববাদ আঁতৰি Chile ত প্ৰজাতন্ত্ৰ ঘূৰি আহিছিল। ১৯৭৩ ৰ পৰা ১৯৯০ চনলৈকে জেনেৰেল Augusto Pinochet ৰ শাসন কালত দেশত হৈ থকা নানা অন্যায় অনিয়ম আৰু দুখীয়া প্ৰজাৰ প্ৰতি চকু কান নিদিয়া অৱস্থাৰ ইতি পেলাবলৈ বৰিক দৃঢ় প্ৰতিজ্ঞ হ'ল। চৰকাৰী বিল্ডিঙৰ বেলকনিৰ পৰা তেওঁ জনসাধাৰণক উদ্দেশ্যে কৰি কৈছিল " আমি আমাৰ দেশলৈ সুখ শান্তি ঘূৰাই আনিবলৈকে ওলাই আহিছো"।

Boric ৰ চাৰি বছৰীয়া ম্যাদ আৰম্ভ হৈছিল, যেতিয়া Pinochet ৰ আমোলত থকা সংবিধান খন সলনি কৰা হৈছিল। Boric প্ৰেচিডেন্ট হোৱাৰ আন এক উল্লেখযোগ্য বাতৰি হ'ল, তেওঁৰ কেবিনেটক 'ফেমিনিষ্ট কেবিনেট' বুলি কব পাৰি কিয়নো Boric ৰ কেবিনেটত দহজন পুৰুষৰ বিপৰীতে চৈধ্য গৰাকী মহিলা সন্নিবিষ্ট কৰা হয়।

Boric নিৰ্বাচন ত জিকাৰ পাছত সকলো investor য়ে ভয় খাইছিল, হয়তো Stock মাৰ্কেট ৰ বজাৰৰ দৰদামৰ তাৰতম্য হব; কিন্তু Boric য়ে এজন সন্মানীয় অৰ্থনীতিবিদক বিত্ত মন্ত্ৰীৰ পদ দি দূৰদৰ্শীতাৰ পৰিচয় দিয়ে।

Boric য়ে স্থিৰ কৰে যে, সকলো ইতিবাচক পৰিৱৰ্তন এটা এটাকৈ কৰি যাব, নহলে হয়তো আগৰ অৱস্থালৈকে ঘূৰি আহিব লাগিব। বৃহৎ মিনাৰেল খনিৰ অৱস্থিতি ৰ হেতু চিলি লেটিন আমেৰিকাৰ সবাতোকৈ অৰ্থনৈতিক সাফল্যৰ স্থল। কিন্তু তথাপি কেইবা বছৰ ধৰি চিলি ত আন্দোলন হৈ আছিল - উন্নত শিক্ষা ব্যৱস্থা, সময়মতে পাব লগীয়া পেঞ্চন আৰু সকলোৰে সুৰক্ষিত স্বাস্থ্যৰক্ষাৰ বাবে !

*(আঠপৃষ্ঠাত চাওক)*

# শব্দ

**সংযুক্তা দত্ত, দেৰগাঁও**



মানুহৰ মনৰ ভাৱ-অনুভূতি সমূহক আনৰ আগত প্ৰকাশ কৰা মাধ্যমই হ'ল-শব্দ। মানুহৰ জীৱনৰ প্ৰথম শব্দটোৱেই হ'ল- মা। মা এই পবিত্ৰ শব্দটো উচ্চাৰণ কৰি তাৰ পিছৰে পৰা মানুহে জীৱনত কথা ক'বলৈ শিকে। এই শব্দই হ'ল এনেকুৱা এটা শব্দ যাৰ যোগেদি কাৰোবাৰ জীৱন নতুন ৰূপত গঢ় দিব পাৰে আৰু আনহাতে, কৰোবাৰ জীৱন ধ্বংসও কৰি দিব পাৰে। এজন ব্যক্তি যদি দুখত থাকে তেতিয়া যদি আপুনি সেই ব্যক্তিজনৰ ওচৰত গৈ কথাপাতে আৰু কথা পাতোতে যদি আপোনাৰ মুখৰ পৰা এনেকুৱা এটা শব্দ বা বাক্য ওলাই আহে যিটো শব্দ বা বাক্যই তেখেতৰ মনটো ভাল লগাই তুলিব পাৰে। অৰ্থাৎ আপুনি এটা দুখী মন সুখী কৰি তুলিলে আপোনাৰ কথাৰ দ্বাৰা। আৰু যদি দ্বিতীয় জন ব্যক্তি বহুত আনন্দত থাকে তেতিয়া আপুনি তেওঁ ওচৰত গৈ যদি আপুনি অলপ কথা পাতি থাকোঁতে আপোনাৰ মুখৰ পৰা কিবা নকৱলগীয়া কথা কৈ দিয়ে তেন্তে হঠাৎ তেওঁ মনটো মৰহি ও যাব পাৰে। তেনে স্থলত আপুনি এটা সুখী মন আপোনাৰ কিছুমান শব্দৰ দ্বাৰা আপুনি দুখী কৰি তুলিলে। কেতিয়াবা আপোনাৰ কথাৰ দ্বাৰা কাৰোবাক সুখী কৰিব পাৰে আৰু কাৰোবাক দুখী কৰিব পাৰে। অৰ্থাৎ এবাৰ ওলাই অহা শব্দ পুনৰ ঘূৰাই ল'ব নোৱাৰি। অসমীয়া সমাজত অতিজৰে পৰা প্ৰচলিত দুটা ফঁকৰা যোজনা হ'ল

(১) কথাত কটা যায় কথাত বটা পায়।

(২) স্থান, কাল, পাত্ৰ চাই হে কথা ক'বা।

আমি এই দুটা ফঁকৰা যোজনা

*(আঠপৃষ্ঠাত চাওক)*


# অসমৰ জাতি গঠনৰ প্ৰক্ৰিয়া আৰু ভবিষ্যত

**বৈকুণ্ঠ প্ৰসাদ গোস্বামী, গুৱাহাটী**



অসমীয়া জাতিৰ ভবিষ্যতৰ কথা আলোচনা কৰিবলৈ যাওঁতে আমি বৰ্তমান অসমীয়া জাতি ক'ৰ পৰা আহিছে আৰু ইয়াৰ মানসিকতাৰ বিষয়ে আলোচনা কৰিব লাগিব। মীৰজুমলাৰ আক্ৰমণৰ পৰা আৰম্ভ কৰি লাচিত বৰফুকনৰ দিনলৈকে মুছলমান আৰু মোগলক প্ৰতিহত কৰিবলৈ যাওঁতে বহুতো প্ৰকৃত অসমীয়া আৰু সাহসী যোদ্ধাৰ মৃত্যু হয়। ইয়াৰ পিছতে আৰম্ভ হয় মোৱামৰীয়া বিদ্ৰোহ। স্বৰ্গদেউ লক্ষ্মী সিংহৰ দিনত (১৭৬৯-৮০) প্ৰথম বিদ্ৰোহ আৰম্ভ হয়। ২য় বাৰৰ বাবে গৌৰীনাথ সিংহৰ দিনত (১৭৮০-১৭৯৫) চনলৈ হয়। এই গৃহবিপ্লৱৰ ফলত নিজৰ ভিতৰতে কটা মৰা কৰি এক বৃহৎ সংখ্যক অসমীয়াৰ মৃত্যু হয়। শেষত কেপ্টেইন ওৱেলছৰ বিদ্ৰোহ শাম কাটে। কিন্তু মোৱামৰীয়া বিদ্ৰোহৰ ক্ষতিপূৰণ হোৱাৰ আগতে বদন বৰফুকনৰ জন্ম হয় আৰু স্বৰ্গদেউ চন্দ্ৰকান্ত সিংহৰ দিনত প্ৰথম মানৰ আক্ৰমণ আৰম্ভ হয়। ১৮২২ খৃষ্টাব্দত মিঙ্গিমাহা তিলোৱাৰৰ নেতৃত্বত ২য় বাৰৰ বাবে আক্ৰমণ কৰে। মানৰ আক্ৰমণ অসমীয়াৰ বাবে এটা সাংঘাটিক দুঃস্বপ্ন আৰু ইয়ে শেষ আঘাট হানি শক্তিশালী অসমীয়া জাতিক সৰ্বশ্ৰান্ত কৰিলে। এতিয়া আহোঁ বৰ্তমান অসমীয়া জাতি গঠনৰ বিষয়ে। মানৰ আক্ৰমণৰ সময়ত ভয়াতুৰ সুবিধাবাদী অসমীয়া বিলাক পলাই গৈ হাবিয়ে জংঘলে বা কাষৰীয়া ৰাজ্যত আশ্ৰয় ললে। আন সুবিধাবাদী কিছুমানে নিজকে মানৰ পৰা বচাবলৈ মানৰ সাজ পিন্ধি আংকৰা-বাংকৰা ভাষা কৈ অসমীয়া মানুহকে কাটি নিজৰ জীৱন বচালে। যি সকল প্ৰকৃত বীৰ আৰু অসমপ্ৰেমী আছিলে তেওঁলোকে যুদ্ধকৰি প্ৰাণত্যাগ কৰিলে। শেষত বৃটীছক মাতি আনি অসম খন মানৰ হাতৰ পৰা মুক্ত কৰা হল। যি সময়ত ইংৰাজ অসমত সোমাইছিলে সেই সময়ত অসমত মতামানুহৰ সংখ্যা বহুত কম আছিলে। মাইকী মানুহ, বুঢ়া আৰু লৰাছোৱালীৰ সংখ্যাই বেছি আছিলে। চৰিওফালে খালি মাটি পৰি আছে। অসমৰ ছন পৰি থকা মাটিত খেতি কৰিবলৈ ইংৰাজে পূৰ্ব্ববঙ্গৰ পৰা মুছলমান আৰু চাহ বাগান পাতিবৰ বাবে ভাৰতবৰ্ষৰ পৰা আদিবসী মানুহ আনি অসমত বহুৱাইছিলে। ওপৰৰ আলোচনাৰ পৰা এইটো স্পষ্ট হয় যে বৰ্তমান অসমীয়া জাতিতো, অৰ্থাৎ আমি পলৰীয়া, ভয়াতুৰ আৰু সুবিধাবাদী মানুহ কিছুমানৰ উত্তৰপুৰুষ, যিয়ে ওপৰুক্ত বিপদৰ দিনত যেনেতেনে প্ৰকাৰেৰে নিজকে বচাইছিলে।

( নপৃষ্ঠাত চাওক)



# অস্তাচলত ৰবি

সুষমা গোস্বামী,যোৰহাট




নাম তাৰ ধৰ্ম্মকান্ত। অত্যন্ত দুখীয়া পৰিয়াল এটাত জন্ম হৈছিল তাৰ।মাক-দেউতাক দুয়ো বহুত কষ্টেৰে ঘৰে ঘৰে হাজিৰা কৰি মাকে আৰ-তাৰ কাপোৰ ধুই যেনে তেনে দুবেলা দুমুঠি গোটাই চাৰিটা ল'ৰা-ছোৱালীৰে ভৰা ঘৰখন পোহপাল দি আহিছিলে। বহুত কষ্টৰ মাজত ডাঙৰ হৈছিল যদিও তাহাত কেইটা কিন্তু পঢ়া-শুনা সকলোতে আনতকৈ কিছু আগবঢ়া আছিল। থাকিলে কি হ'ব ? ধৰ্মহঁতৰ কপালত বিধাতাই যেন সুখ লিখিবলৈ পাহৰিয়েই থাকিলে। সেয়েহে পৰিয়ালটোক বিপৰ্যয়ে লগ নেৰা হ'ল। লুইতৰ বাঢ়নী পানীয়ে পৰিয়ালটোক খেদি খেদি আনি বৰলুইতৰ নিচেই কাষ পোওৱালেহি। সেইবাৰো লুইতত জুই লাগিল। বহুদিন ধৰি হোৱা নেৰা নেপেৰা বৰষুণৰ ফলত লুইত ফেনে-ফোটোকাৰে বাঢ়ি বলৈ ধৰিলে। পানীয়ে ধৰ্মহঁতকে ধৰি লুইতৰ নিচেই পাৰতে থকা মানুহখিনিৰ পানীত হাঁহ নচৰা অৱস্থা এটাৰ সৃষ্টি কৰিলে। ধৰ্ম হৈছে পৰিয়ালৰ ডাঙৰ ল'ৰা ।বিয়াৰ আঠ বছৰৰ পিছতো সন্তানৰ মুখ নেদেখা পিতৃ-মাতৃ হালে বহুত কিবা কিবি কৰি, বেজ-জ্ঞানী লগাইহে ধৰ্মক জন্ম দিয়াবলৈ সক্ষম হয়।তাৰ কাৰণে পূজা সেৱাও বহুত কৰিলে। সেয়েহে মাকে তাৰ নাম ধৰ্ম ৰাখিলে। পঢ়াশালীত নাম ৰাখে ধৰ্মকান্ত। তাৰ পিছতো ভাই-ভনী তিনিটা। এসাজ খাই এসাজ নাখাইও সি শ্ৰেণীত সদায়েই প্ৰথম বা দ্বিতীয় হৈয়ে পাচ কৰি গৈ থাকিও অতি কষ্টেৰে সপ্তম মানলৈকেহে অহা-যোৱা কৰিব পাৰিলে ।আহিল সেই দুৰ্যোগৰ দিনটো। চাৰিওফালে কেৱল চিএৱৰ বাখৰ " পানী আহিল, পানী আহিল"। ধৰ্মহঁতৰ পৰিয়ালতো লাগিল হুৰা-দুৰা। টোপোলা বুলিবলৈ আছেনো কিতো? যি দুই এপদ আছিলে তাকে বুকুত সামৰি মাক-দেউতাকে পৰিয়ালৰ আটাই কেউটিকে লগত লৈ আগবাঢ়ি যাওঁতেই নিয়তিৰ চকু তাহাঁতৰ ওপৰত পৰিল। এসোঁতা বাঢ়নী পানীয়ে আহি আটাই কেউটিকে উটুৱাই লৈ গ'ল। মুহূৰ্ত্তে কি হৈ গ'ল সি একো ততকে ধৰিব নোৱাৰিলে। অথাই-সাগৰত পৰি সি চকুৰে আন্ধাৰ দেখিবলৈ ধৰিলে। থাউনি নাপাই সি হাতমেলি নিজকে পানীৰ বুকুত এৰি দিয়ে। সি কব নোৱাৰাকৈয়ে সোঁতে তাক ঠেলি নি জাঁজি এটাৰ মাজত শুৱাই দিলেগৈ। কেইদিন হ'ল তাৰ মনত নাই। সাৰপাই বৰকৈ ভোক অনুভৱ কৰাত সি ঠাইতে বহি দিয়ে। দেখে চাৰিও ফালে কেৱল পানীৰ মাজত সি অকলে। তেতিয়াহে তাৰ মনত পৰিল, তাৰ লগতযে পৰিয়ালৰ বাকী কেইটি প্ৰাণীও আছিল। কিন্তু কি হ'ল এইয়া? কিয় এনে হ'বলৈ পালে ? সিহঁতিটো কাৰো কেতিয়াও একো অপকাৰ কৰা নাছিলে! সি আনৰ দৰে নোৱাৰিলেও দিনটোত এবাৰলৈ হ'লেও ভগৱানক চিন্তা কৰিছিলে পৰিয়ালটোৰ কাৰণে! কিন্তু এইয়া ভগৱানৰ কি বিচাৰ? নিজ পিতা-মাতাৰ লগতে ভাই-ভনীকো হেৰুৱাব লগাত পৰিলে ইত্যাদি ইত্যাদি বিভিন্ন চিন্তাই তাক হেঁচা মাৰি ধৰাত সি পেটৰ ক্ষুধাৰ কথা পাহৰিয়েই পেলালে । তেনেতে সি সুদূৰত চকামকাকৈ পোহৰ এটা দেখিবলৈ পাই মনত কিছু সকাহ পোৱাযেন পালে । তেতিয়াহে তাৰ মনত জাগিল যে সি এতিয়াও মৰণ ফান্দত । পোহৰটো তাৰ ফাললৈকে অহাযেন দেখি, সি চিঞৰিব খুজিও কেইবাসাজো (তাৰ মনত নাই কেইসাজ)নোখোৱাৰ কাৰণে সি বেচি ডাঙৰকৈ চিঞৰিব নোৱাৰিলে। তথাপিতো পোহৰটো আহি তাৰ নিচেই ওচৰ পোৱাত সি দেখিলে এখন সাহায্যকাৰী নাও। দূৰৈৰ পৰা তাক দেখা পায়েই তাক নিবলৈ বুলি আগবাঢ়ি আহিছে। সিও সকলো চিন্তা বাদ দি আগবাঢ়ি গৈ নাৱত বহি ল'লগৈ ইতিমধ্যে ধৰ্ম্মৰ ভাগ্যত ৰবি উদয়ৰ যোগ মিলিছিল নেকি ? অনতিপলমে তাৰ ভাগ্য সলনি হোৱাৰ সুযোগ এটি মিলিল। সেইখন নাৱতে সেনা বাহিনীৰ উচ্চ পদস্থ বিষয়া এজনো আহিছিল। তেখেতৰ পৰিয়ালতো সন্তান বুলিবলৈ এটিয়েই মাথোন পুত্ৰ সন্তান আছিলে। প্ৰায় ধৰ্ম্মৰ সম বয়সৰে হ'ব । কিন্তু দুদিন জ্বৰতে তেখেতসকলে একমাত্ৰ সন্তানটিক হেৰুৱাব লগাত পৰে। সেয়েহে বিষয়াজনে ধৰ্ম্মক দেখাৰ লগে লগেই নিজৰ হেৰোৱা সন্তানটিলৈ মনত পৰি নাৱতে হুক হুক কৰি কান্দি ধৰ্ম্মক দুই হাততেৰে সাৱটি ধৰে। সেই সময়ত ধৰ্ম্ম আছিল এটি তেৰবছৰীয়া কিশোৰ। যৌৱনে তাৰ দেহাত আঁচোৰ পেলাইছেহে মাত্ৰ। অত্যন্ত দেখনীয়াৰ কেও কিচু নোহোৱা হৈ পৰা ধৰ্ম্মক কৰ্ণেল ৰাঘৱনে এৰি নিদি মৰমতে নিজৰ পৰিয়াললৈ লৈ আহি পঢ়াশালীত নাম লগাই দিয়েহি। পঢ়িবলৈ সুবিধা পোৱাৰ লগে লগেই ধৰ্ম্ম ওৰফে ধীৰাজে উন্নতিৰ জখলা ডালত দোপত দোপে বগাবলৈহে লাগিল। কৰ্ণেল দম্পতীৰ ছত্ৰ ছাঁয়াই ধীৰাজক নিজৰ পিতৃ - মাতৃ অথবা ভাই - ভনীৰ কথা সমূলি পাহৰাই পেলোৱালে। মাজে মাজে অলপ অন্যমনস্ক হৈ পৰাযেন দেখাৰ লগে লগেই মাতৃ সদৃশ মানুহ গৰাকীয়ে আহি তাক মৰমেৰে আকোৱালি লোৱাত সি দুঃখ কৰিবলৈ অৱকাশেই নোপোৱা হ'ল। যথা সময়ত সিও এজন উচ্চ পদস্থ বিষয়া হিচাপে চাকৰি জীৱন আৰম্ভ কৰে। যৌৱনাৱস্থা পোৱা ধীৰাজে গৃহস্থী ধৰ্ম্মত প্ৰৱেশ নকৰোঁ বুলি ভাৱিও সি তাৰ প্ৰতিজ্ঞা ৰাখিব নোৱাৰিলে। কৰ্ণেল দম্পতীৰ অনুৰোধ এৰাব নোৱাৰি দম্পতীৰে সম্পৰ্কীয় ভাগিনীয়েক নিতুৰ লগত বিবাহ পাশত আৱদ্ধ হৈ পৰিল। বৈবাহিক জীৱনৰ প্ৰথম অৱস্থা দুয়োৰে বাবে বৰ সুখৰ আছিল। অত্যন্ত মৰমলগা হাঁহি মুখিয়া নিতু জনীয়েও ধীৰাজৰ প্ৰত্যেকটো কামতে চকু দি, অতি নিয়াৰিকৈ কৰি যাব পৰা হ'ল। দুয়োৰে সৌহাৰ্দ্যতা দেখি কৰ্ণেল দম্পতীৰ হিয়াত আনন্দই থাই নধৰা হয়। কোনো কোনোৱে কয়, "অন্তৰেৰে ভাৱিব জানিলে ভাৱকক ওচৰতে পায়"। এইটো প্ৰকৃত্বতে জানো সঁচা? ক'তা ধীৰাজৰ জীৱনত দেখোন ই একেবাৰে বিপৰীত হৈহে দেখা দিলে। জীৱনৰ প্ৰথম আঘাত মনৰ পৰা সম্পূৰ্ণ আতৰিবলৈ নৌ পাওঁতেই দ্বিতীয় আঘাতে ধীৰাজক বৰ বেয়াকৈ হানিলে। নোপোৱাৰ বেদনাতকৈ পাই হেৰুৱাৰ এক বেদনাই ধীৰাজৰ মনত অত্যন্ত কষ্ট দিলে । নিতু তেতিয়া মাতৃ হোৱাৰ পথত। আৰু তিনি মাহৰ পিচতেই তাহাতৰ জীৱনলৈ আগমন ঘটিব এক নতুন অতিথি। যিয়েই আহি তাইক "মা" সম্বোধনেৰে হিয়া জুৰ পেলাবহি। ভাৱিলেই ভাল লাগি যোৱা খবৰ। কৰ্ণেল দম্পতীৰ মনতো বৰ স্ফূৰ্ত্তি ।ধীৰাজৰহে কামৰ হেঁচাত সময়ৰ কিছু অভাৱ ঘটিছে যদিও হাঁহি - স্ফূৰ্ত্তিৰে মাজেৰেই দিনবোৰ আগবাঢ়ি গৈ থাকিল। তেনেতে আহিল আকৌ এক দুৰ্যোগ। সেইদিনা আছিল মঙ্গল বাৰ। নিতুৰ কাৰণে মঙ্গল বাৰটো বেয়া বুলি কোনোবাই চাই কৈছিলে। সেয়েহে তাই যঠেষ্ট সাৱধানেৰেই ছলা-ফুৰা কৰিছিলে। তাৰ মাজতেই ঘটিবলৈ পালে অঘটনটো। সেই সময়ত ঘৰত নিতুৰ বাহিৰে কোনোৱেই নাছিলে।

(আঠপৃষ্ঠাত চাওক)

# বুলু ফিল্ম

জয়ন্ত কলিতা, ৰঙিয়া




এক ব্যতিক্ৰমী কাহিনী আৰু হাস্যব্যংগ শৈলীৰে নিৰ্মিত বুলু ফিল্ম ( Bulu film) নামৰ অসমীয়া ছবি খনে এতিয়া মুক্তিৰ পূৰ্বেই বিশেষ চৰ্চা লাভ কৰিছে। শেহতীয়া কৈ শিলচৰত অনুষ্ঠিত হোৱা প্ৰাগ চিনে এৱাৰ্ড ২০২২ শীৰ্ষ অনুস্থানত এই অসমীয়া ছবি খনে কেইবাটাও শিতানত বঁটা লাভ কৰি ইতিমধ্যে এক অভিলেখ সৃষ্টি কৰিছে। বিশ্বৰ কেইবাখনো চলচ্চিত্ৰ মহোৎসৱতো ছবি খন প্ৰেৰণ কৰা হৈছে। একপ্ৰকাৰ অসমীয়া চলচ্চিত্ৰ জগতত বুলু ফিল্ম (Bulu film) ছবি খনে এতিয়া এক আলোড়ন সৃষ্টি কৰিছে বুলি উল্লেখ কৰিব পাৰি।

আচলতে বুলু ফিল্ম ( Bulu film) ছবি খনে হাস্যৰসৰ মাজেৰে এখন বিষাদ কাহিনী প্ৰকাশ কৰিছে।ক'ভিড পৰিস্থিতিত সৃষ্টি হোৱা লকডাউনত মধ্যবিত্ত শ্ৰেণীৰ লোক সকল ভীষণ আৰ্থিক সংকটত পৰিছিল। ঠিক একে পৰিস্থিতিৰ সন্মুখীন হৈছিল নামনি অসমৰ এখন সাধাৰন গাঁওৰ তিনি জন যুৱক। পিছে এই তিনি যুৱকে লকডাউনৰ সময়ত ঘৰতে ধন উপাৰ্জন কৰিবলৈ এখন বুলু ফিল্ম (Bulu film) নিৰ্মাণ কৰাৰ বাবে এক পৰিকল্পনা কৰিছিল। পিছে বুলু ফিল্ম (Bulu film) নিৰ্মাণ কৰিবলৈ গৈ সেই তিনি জন যুৱক কেনে পৰিস্থিতিৰ সন্মুখীন হৈছিল। ঠিক তেনে


(আঠপৃষ্ঠাত চাওক)

# সাজপাৰ বনাম নগ্নতা

হিমাদ্ৰী বৰকটকী, নগাঁও



সাজপাৰ হ'ল আমাৰ আভুষন। যিয়ে আমাক আমাৰ শৰীৰটো আবৰি ৰখাত সহায় কৰে ।আদিম যুগত মানুহে গছৰ পাত, ছাল আদি পৰিধান কৰিছিল। তেওঁলোকে সভ্যতাৰ পোহৰ দেখা নাছিল। সভ্যতাৰ পোহৰ পোৱাৰ লগে লগে আমি বস্ত্ৰ পৰিধান কৰিবলৈ শিকিলোঁ। কবলৈ গ'লে আমাৰ অসমীয়া পোচাকজোৰে জীয়ৰী বোৱাৰী সকলোকে ধুনীয়া দেখে। এই পোচাকজোৰ ভালকৈ পিন্ধিলে তাত নগ্নতা দেখিবলৈ পোৱা নাযায়। আমি প্ৰয়োজন সাপেক্ষে চাদৰ মেখেলাৰ পৰিবৰ্তে বেলেগ সাজপাৰ পৰিধান কৰিব লগা হয়। মই ভাবোঁ শৰীৰটো ভালদৰে আবৰি থকা যি কোনো কাপোৰ পিন্ধিলে পুৰুষ বা মহিলাৰ নগ্নতা প্ৰকাশ নাপায়। কিন্তু আজিকালি নতুন প্ৰজন্মৰ কিছুমান ল'ৰা ছোৱালীৰ পোচাক দেখিলে আমাৰ নিজৰে লাজ লাগে। মনতে ভাব হয় মাক - দেউতাকে একো নকয় নেকি ? এইবোৰৰ কাৰনে আজিকালি সমাজত ধৰ্ষণ, শালীনতা হানি আৰু অপৰাধ কাৰ্য বেছি হোৱা হৈছে। মোৰ শাহুঁমায়ে সদায় কয় ল'ৰাবোৰে চিনেমাত উপৰৰ পৰা তললৈকে কাপোৰ পিন্ধে কিন্তু ছোৱালীবোৰে কিয় ইমান চুটি কাপোৰ পিন্ধে ? কথাটো নোহোৱা নহয়। মাইঁত আগৰ দিনৰ মানুহ। মাইঁতে এইবোৰ দেখিলে চকু কটকটাই থাকে। আগতকৈ বৰ্তমান সমাজখনৰ বহুতো পৰিৱৰ্তন হ'ল। কিন্তু পৰিবৰ্তন হ'লেও আমি আমাৰ নিজচ্ছতা কেতিয়াও হেৰুৱাব নালাগে। গতিকে পুৰুষ বা মহিলা উভয়ে সাজযোৰ পিন্ধিলে যেন আমাৰ নগ্নতা প্ৰকাশ নাপায় তেনেকোৱা সাজপাৰ পৰিধান কৰিব লাগে। লগতে আমি মাকবোৰ ও সচেতন হ'ব লাগে ল'ৰা ছোৱালীৰ পোচাক পৰিধান কৰাৰ ক্ষেত্ৰত। এয়োৰ মাৰ্জিত পোচাক বা সাজপাৰেই হ'ল আমাৰ ব্যক্তিত্বৰ পৰিচয়।


অসম চৰকাৰ
অসম বাজেট ২০২২-২০২৩
Azadi Ka Amrit Mahotsav
শিক্ষা হৈছে প্ৰগতিৰ আধাৰ
অসম চৰকাৰে ২০২২–২৩ বিত্তীয় বৰ্ষৰ বাজেটত “ৰাজ্যিক (গ্ৰাম্য) সাক্ষৰতা কাৰ্যকৰী কাৰ্যসূচী” আৰম্ভ কৰিছে।
ইয়াৰ অধীনত, প্ৰাপ্তবয়স্ক শিক্ষা সঞ্চালকালয়, মাধ্যমিক শিক্ষা বিভাগে গ্ৰাম্য অঞ্চলৰ আনুষ্ঠানিক শিক্ষাৰ পৰা বঞ্চিত হোৱা সকলো প্ৰাপ্তবয়স্ক মহিলাক শিক্ষা প্ৰদান কৰাৰ লক্ষ্য স্থিৰ কৰিছে।
JANASANYOG- 1390/22
২০২২-২৩ বিত্তীয় বৰ্ষৰ বাজেটত আনুমানিক ব্যয়
৭.৫ কোটি টকা
অসম বাৰ্তা ছাবস্ক্ৰাইব কৰিবলৈ ৮২৮৭৯১২১৫৮ ত Assam লিখি হোৱাটছএপ কৰক
তথ্য আৰু জনসংযোগ সঞ্চালকালয়, অসমৰ দ্বাৰা প্ৰচাৰিত

# বৰষা ঋতু ভাল

হোৱা চিনাকি সেই চহৰ খন, বাট - পথ, মা-দেউতা, ভাইটি - ভন্টি, লগ - সমনীয়াৰ লগত কটোৱা বৰ্ষা মুখৰ সেই সুন্দৰ মুহুৰ্ত বোৰে সৃষ্টি কৰা এক নষ্টালজিয়াই যেন আজিও মোক আচ্ছন্ন কৰি ৰাখিছে।

তেতিয়া আমি থকা চহৰ খন আছিল সুন্দৰ -পৰিচ্ছন্ন। শৈশৱত লগৰীয়াৰ লগত ঘৰলৈ উভতাৰ পথত বৰষুণ জাক পৰিলেই আনন্দত হৈ পৰো অধীৰ। দৌৰি, জপিয়াই ইজনীয়ে সিজনীৰ গাত পানী ছটিয়াই আধা তিতিবুৰি পোৱা আনন্দ ঘৰ পোৱাৰ পাছত মাৰ গালি চৰেও কৰিব পৰা নাছিল ম্লান। এতিয়াও মনত পৰে দোপালপিটা বৰষুণত ঘৰতে বন্দী হৈ পৰা সময়ত ভাইটি ভন্টিহঁতৰ লগত কাগজৰ নাও সাজি বৰষুণৰ পানীত নাও এৰি দি কাৰ নাও কিমান দূৰলৈ যায় সেই প্ৰতিযোগিতাৰ কথা, সন্ধিয়াৰ বৰষুণত পৰিয়ালৰ সকলোবোৰ বাৰাণ্ডাত একেলগে বহি চাহ -পকোড়া খাই আড্ডা মৰা কথা, মাজত হাৰমনিয়াম লৈ বহা মাৰ দুয়োকাষে বহি বাইদেউৰ লগত বৰষুণৰ দিনত গোৱা গানবোৰ ...স্নেহে আমাৰ শত শ্ৰাৱনৰ, ৰিমঝিম ঝিম বৰষুণ পৰিছিল, বোলবে পপীহৰা, এই মেঘলা দিনে একলা... ৰাতি বৰষুণ দিলেই ডাঙৰ চচপেন এটাত গৰুৰ ঘিৰে ৰন্ধা যাৰ হাতৰ গৰম গৰম খিচিৰি, আলুৰ দম, বেঙেনা ভাজি ... অমৃত সমান সেই আহাৰ ... সকলোৱে ডাইনিং টেবুলত একেলগে বহি খোৱাৰ সেই দৃশ্য চিনেমাৰ ফ্লেশবেকৰ দৰে আজিও মোৰ মনৰ মাজত অগাডেৰা কৰে। তেতিয়াৰ দিনবোৰ আছিল সহজ -সৰল । সহজ সৰল আছিল মানুহৰ মনবোৰো । সৰু সৰু সুখবোৰৰ মাজতে আমি বুটলিছিলো জীৱনৰ অমৃতসম সুখবোৰ । কেনেকৈ পাহৰিম মই সেই সহজ সৰল দিনবোৰ ...সেই সৰু সৰু সুখবোৰ? দূৰ শৈশৱৰ কোনোবা এটা বৰ্ষামুখৰ দিনতে হয়তো বৰ্ষাৰ প্ৰতি মোৰ এই অপৰিবৰ্তিত মোহগ্ৰস্থতাৰ বীজ ৰোপিত হৈছিল ... বৰ্ষাই এতিয়াও বহন কৰি আনে শৈশৱৰ সেই মুক্ত আনন্দৰ প্ৰতিশ্ৰুতি, সপোনৰ কোমল ধুসৰতা ... বয়স বাঢ়ি অহাৰ লগেলগে সকলো শাৰীৰিক আৰু মানসিক পৰিবৰ্তন স্বত্বেও এতিয়াও মোৰ প্ৰিয় ঋতু বৰ্ষা .. বৰ্ষা ঋতু মোৰ কাৰণে জীৱনৰ এক সংজ্ঞাতীত আনন্দ অনুভূতিৰ প্ৰতীক ...

# শব্দ

কথা মনত ৰাখিছে সদায় কথা কোৱা উচিত। কাৰণ আপোনাৰ শব্দৰ মাজত সদায় ইতিবাচক আৰু নেতিবাচক দুয়োটা দিশেই সোমাই থাকে। আৰু আমি সদায় নেতিবাচক টো এৰি ইতিবাচক দিশটো হে ধৰি ৰাখিব পাৰিব লাগে।

# বিশ্বৰ সবাতোকৈ

উত্তৰ চিলিত যেতিয়া ভগনীয়া সকল কেউফালৰ পৰা সোমাই আহিছিল, তেতিয়া বহু খিলঞ্জীয়া দলে প্ৰচুৰ প্ৰতিবাদ কৰি আছিল আৰু সেই সময়তে Boric চিলিৰ প্ৰেচিডেন্ট হিচাবে নিৰ্বাচিত হৈছিল। লগতে এই সময়তে বিশ্বব্যাপি হোৱা পেনডেমিক আৰু আন্তৰ্জাতিক ধুমুহা বলিছিল - ৰাছিয়াই ইউক্ৰেইন আক্ৰমণ কৰাৰ সময়তে।

চিলি য়ে নতুনকৈ সপোন দেখিবলৈ আৰম্ভ কৰিছে - Gabriel Boric ৰ যোগেদি। কম বয়স বুলি কোনো কথা নাই আৰু বয়স হলেও যে বেলেগ কিবা নতুন হব - কোনো ভৰসা নাই। লাগে মাথো দেশৰ প্ৰতি সঁচা প্ৰেম আৰু দেশবাসীলৈ একাগ্ৰতা।

# বুলু ফিল্ম

এটা কাহিনী লৈ ছবি খন নিৰ্মাণ কৰা হৈছে। সাম্প্ৰতিক সময়ত নিবনুৱা সমস্যা দ্বাৰা যুৱ সামাজ আৰ্থিক সংকটত ভোগা এটা বাৰ্তাও ছবি খনৰ জৰিয়তে দিয়া হৈছে। বুলু ফিল্ম (Bulu film) ছবি খনৰ কাহিনী আৰু পৰিচালনা হিমাংশু প্ৰসাদ দাসৰ।প্ৰযোজনা কৰিছে হিমাংশু প্ৰসাদ দাস আৰু বন্দনা দত্ত মজুমদাৰে। সম্পাদনা কৰিছে হাৰ্দিক কাশ্যপে আৰু চিত্ৰ গ্ৰহণ কৰিছে চন্দ্ৰ কুমাৰ দাসে।সংলাপ লিখিছে মহাৰ্ষি টুহিন কাশ্যপ আৰু চাংকু নিৰঞ্জন নাথে। অভিনয় কৰিছে অসমৰ বিশিষ্ট অভিনেত্ৰী প্ৰনামী বৰা আৰু অপূৰ্ব বৰ্মন, ৰূপম জ্যোতি দাস, অনামিকা শৰণীয়াই, গৌৰৱ জ্যোতি দাস, শিখা ঠাকুৰীয়া। লগতে অভিনয় কৰিছে পৰিচালক হিমাংশু প্ৰসাদ দাসেও। এই চৰ্চিত ছবি খন অহা ৯ ছেপ্টেম্বৰ শুক্ৰবাৰে সমগ্ৰ অসত চিত্ৰ গৃহ সমূহত মুক্ত লাভ কৰিব। মুক্তিৰ পূৰ্বে বুলু ফিল্ম ( Bulu film) ছবি খনে চলচ্চিত্ৰ প্ৰেমী ৰাইজৰ পৰা বিশেষ সহাৰী লাভ কৰিবলৈ সক্ষম হৈছে আৰু কেইবাটাও নিউজ চেনেলৰ বাতৰিত শিৰোনামা দখল কৰিছে।

# মৃগীৰোগ আৰু আমাৰ কৰণীয়

ডাং যুতিকা ওজা, মুৰব্বী অধ্যাপিকা, কমিউনিটি মেডিচিন বিভাগ, গুৱাহাটী চিকিৎসা মহাবিদ্যালয়



ৰাতিপুৱা চাহৰ টেবুলতে ডাঙৰ মামীৰ ফোন পালো, “কামকৰা কৰা ছোৱালীজনী হঠাৎ মূৰ্চ্ছা গৈছে, মই মেডিকেললৈ আহি আছো”। মামীয়ে বহুত ভয় খাইছিল। ময়ো লৰালৰিকৈ হস্পিতাললৈ গ'লো। শেতা আৰু দূৰ্বল হৈ থকা ছোৱালীজনীক চেলাইন এটা দিয়া আছিল। কৰ্তব্যৰত চিকিৎসকে জনালে যে তাই মৃগীৰোগত আক্ৰান্ত। মামীয়ে ছোৱালীজনীৰ অভিভাৱকক মাতি পঠিয়ালে। অতি সোনকালেই দেউতাক আহিল আৰু জনালে যে আগতেও মাজে মাজে ছোৱালীজনী মূৰ্চ্ছা যায়, হাতভৰি কোচ খাই যায় আৰু দাঁত কামুৰি ধৰে; কিছুসময়ৰ পিছত ভাল হৈ যায়। গাৱলীয়া ঔষধ খুৱাইছে কিন্তু সুফল পোৱা নাই। মামীয়ে ঘৰত লাচনি পাচনি কৰিবলৈ মহিলা এগৰাকী বিচাৰি আছিল, সেইবাবে মামীৰ ঘৰলৈ পঠিয়াই দিছে কামকৰা হিচাপে। কথাকেইষাৰ শুনি মনটো বেয়া লাগিল। বৰ্তমান চিকিৎসাবিজ্ঞানৰ ইমান উন্নতিৰ পিছতো মৃগীৰোগৰ প্ৰতি সৰহভাগ মানুহৰে ধাৰণা সলনি হোৱা নাই। এইৰোগৰত প্ৰতি থকা ভ্ৰান্ত ধাৰণাই সামাজিক বৈষম্য আনি দিছে। ৰোগীৰ প্ৰতি থকা অৱহেলাৰ মনোভাৱে এই ৰোগ প্ৰতিৰোধ আৰু প্ৰতিকাৰ কৰাত বহুতো বাধাৰ সৃষ্টি কৰি আহিছে। মৃগীৰোগ এটা অতি পুৰণি ৰোগ। পুৰণি গ্ৰীক মেছোপটেমিয়ান সভ্যতাত এই ৰোগৰ উল্লেখ আছে। বৰ্তমানো এই ৰোগৰ বিষয়ে মানুহৰ মাজত সঠিক সজাগতাৰ অভাৱ। বিশেষকৈ এই ৰোগৰ ফলত যিহেতু ৰোগীজনৰ হঠাতে হাত ভৰি কোচ খাই অজ্ঞান হৈ যায়, সেয়েহে মানুহৰ মনত এই ৰোগৰ প্ৰতি ভ্ৰান্ত ধাৰণা আছে। মৃগীৰোগ এক গুৰুতৰ অসংক্ৰামক স্নায়বিক ৰোগ বা বিকাৰ। বিশ্বত প্ৰায় ৫০ নিযুতৰো অধিক লোক এই ৰোগৰ দ্বাৰ আক্ৰান্ত আৰু তাৰে ৮০ শতাংশই অৰ্থনৈতিক ভাৱে অনুন্নত দেশৰ বাসিন্দা। ভাৰতত আনুমানিক ৬-১০ নিযুত মৃগীৰোগী আছে। সামাজিক বৈষম্যতাৰ কাৰণে বহুতে আক্ৰান্ত ৰোগীক চিকিৎসালয়লৈ নিনিয়ে বা কোনোধৰণৰ চিকিৎসা নকৰায়। কেতিয়াবা দূৰণিৰ কোনোবা বেজ বা কবিৰাজৰ পৰা ঔষধ আনে। আজিকালি এই ৰোগৰ উন্নত চিকিৎসা আছে। ফলাফলো ভাল পোৱা যায়। মৃগীৰোগৰ কাৰণসমূহ দুই ভাগত ভগাব পাৰি। প্ৰথমবিধ কোনো নিৰ্দিষ্ট কাৰণ নোহোৱাকৈ হ'ব পৰা মৃগীৰোগ (যাক ইডিঅ'পেথিক বা প্ৰাইমাৰী এপিলেপসী বুলিও কয়)। দ্বিতীয়বিধ চেকেণ্ডাৰী এপিলেপসী- মগজুৰ টিউমাৰ, মস্তিষ্কৰ আঘাত, মগজুত বীজাণুৰ সংক্ৰমণ, মগজুৰ তেজৰ নলীৰ বিজুতি, ৰক্তক্ষৰণ, মদ বা বিভিন্ন নিচাযুক্ত দ্ৰব্য সেৱনৰ দ্বাৰাও হ'ব পাৰে।

সাধাৰণতে ৭০-৭৫% মৃগীৰোগ কোনো কোনো ক্ষেত্ৰত বংশগত হোৱাও দেখা যায়। আজিকালি কন কন ল'ৰা-ছোৱালীবোৰৰ অত্যাধিক ম'বাইল ফোন ব্যৱহাৰ কৰা প্ৰৱণতা, ভিডিঅ' গেম আদিত বহুত সময় ব্যস্ত থকা আদদিবোৰো মৃগীৰোগৰ কাৰক বিচাপে চিহ্নিত হৈছে।

মৃগীৰোগৰ লক্ষণসমূহৰ ভিতৰত আছে-

-অতি কম সময়ৰ পৰা দীঘলীয়া সময়ৰ বাবে দেহত অস্বাভাৱিক জোকাৰনি হ'ব পাৰে।

- ৰোগীৰ প্ৰথমে গা বেয়া লগা যেন ইনুভৱ হয়।

- অস্বাভাৱিক আচৰণ যেনে মাতি থাকিলেও কথা নোকোৱা, থৰ লাগি চাই থকা, মাংসপেশী কঠিন হোৱা, মুখেৰে চিঞৰ ওলোৱা ইত্যাদি।

-কেতিয়াবা জিভাও কামোৰ খাই ধৰে।

-কাপোৰে কানিয়ে পেচাব ওলাই যাব পাৰে।

- খন্তেক সময়ৰ পিছত হাত ভৰিৰ মাংসপেশীবোৰ লাহে লাহে শিথিল হয়।

- এইদৰে কেইমিনিটমান সংকোচন আৰু শিথিল হোৱাৰ প্ৰক্ৰিয়া চলি থাকে আৰু এই প্ৰক্ৰিয়া শেষ হোৱাৰ পিছত

( নপৃষ্ঠাত চাওক)

# অস্তাচলত ৰবি

ৰান্ধনি ৰামসিং আছে যদিও ৰন্ধা-বঢ়া কৰি ভাল পোৱা নিতুৱে সকলোখিনি নিজেই চম্ভালিছিল। দুপৰীয়া ধীৰাজ অহা দেৰি হ'ব বুলি কোৰাত তাই পাকঘৰ সামৰি আহি বিচনাতে অলপ বাগৰ দিয়েহি। চিল্ মিল্ কৈ টোপনি আহোতেই কলিং বেলটো বৰকৈ বাজিবলৈ ধৰাত তাই হঠাতে সাৰ পাই খৰ্ ধৰ্ কৰি তললৈ নামি আহে। প্ৰথম ঢাপটো ঠিকেই পৰিল। দ্বিতীয় ঢাপত ভৰি দিওঁতেই কিবা সৰুপত পিছল খাই বাগৰি আহি তাই তলত পৰিলহি। ইফালে ধীৰাজে বেল দিয়া স্বত্বেও কাৰো পৰা সহাৰি নাপাই পিচ বাৰাণ্ডাইদি ভিতৰলৈ আহি, নিতুক তেনে অৱস্থাত দেখা পায় খৰ্ ধৰকে কোলালৈ তুলি লৈ দেখে যে তাই ইতিমধ্যে জ্ঞান হেৰুৱাই পেলাইছে। কিংকৰ্ত্তব্যবিমূঢ় হৈ সি কিছু সময় তেনেদৰেই বহি থাকে। তেনেতে ৰামসিং আহি পালত দুয়ো ধৰাধৰি কৰি নিতুৰ অজ্ঞান দেহাটো ওচৰতে থকা চোফাখনতে শুৱাই দি ধীৰাজে নাৰ্চিং হ'ম এখনলৈ ফ'নটো ডাঙি লয়। অলপ পিচত দুগৰাকী নাৰ্চে আহি ফাৰ্ষ্ট এইডখিনি দি নিতুক নাৰ্চিং হ'ম এখনলৈ লৈ যায়। তাত কিছুদিন থকাৰ পিচত তাই স্বাভাৱিক অৱস্থালৈ ঘূৰি আহে যদিও, এগৰাকী নাৰীৰ বিয়াৰ পিচৰ মাতৃত্বৰ আশাকণহে চিৰদিনলৈ হেৰুৱাই পেলাই তাই দুঃখ সাগৰত অতি গভীৰ ভাৱেৰে অৱগাহন কৰিব লগাত পৰে । অজ্ঞান অৱস্থাত থাকোতেই সন্তানটিকো নিয়তিয়ে কাঢ়ি লৈ যায়। ঘৰলৈ ঘূৰি অহাৰ পিচৰে পৰাই নিতুৰ স্বভাৱৰো কিছু ব্যতিক্ৰম হ'বলৈ ধৰিলে। কাকো আগৰদৰে মাত-বোল নিদিয়া হ'ল। আনকি ধীৰাজকো কোনো সময়ত চিনি নোপোৱাৰ দৰে হৈ পৰাত ধীৰাজৰ হৃদয়ৰ পৰাও এখন চিৰহাঁস্যময় মুখ বিলুপ্তিৰ পথত অগ্ৰসৰ হ'বলৈ ধৰে। এতিয়াৰ পৰাযেন পূৰ্ণিমাৰ জোনাক খিনিহে ধীৰাজৰ আপোন লগৰী হ'বলৈ ধৰিলে। সন্ধিয়া পৰত খিৰিকিৰ কাষতে থকা আৰামী চকিখনতে বহি আকাশৰ উজ্বল জোনটোলৈ চাই থাকিলেইযেন ব্যথাভৰা জীৱনৰ দুঃখ খিনি কিছু সময়লৈ হ'লেও পাহৰি থাকিব এনে লগা হ'ল। ধীৰাজৰ জীৱনলৈ অভাৱনীয় ভাৱেৰে অহা সুখৰ ৰেঙণি চাটি হঠাতে ঘোৰ অমানিশাৰ কবলত পৰাৰ দৰেই, খিৰিকিৰ কাষত বহি আকাশৰ সৌন্দৰ্য্যতাখিনি উপভোগ কৰি থকা অৱস্থাতে পূৰ্ণিমাৰ জোনটোকো এজাক ক'লা ডাৱৰে আহি হঠাতে ঢাকি ধৰিলেহি। খন্তেক আগলৈকে উপভোগ কৰি থকা সৌন্দৰ্য্যতাখিনিও নিমিষতে অন্ধকাৰত ডুব যোৱাত ধীৰাজে এটি তপত নিশ্বাস এৰি লাহে লাহে চকু দুটা জপাই ধৰে এধানি সুখৰ সন্ধানত ।

৩২ আহাৰ ১৪২৭ চন Rongili Barta, Date of Publication-- 17 July, 2022

# মৃগীৰোগ আৰু আমাৰ কৰণীয়

ৰোগী অৱশ হয়, টোপনি ধৰে, কিছুমানৰ ক্ষেত্ৰত মূৰৰ বিষ হয়। কিছুমানে বমিও কৰে। কেতিয়াবা আকৌ এই অস্বাভাৱিক কঁপনি খুব বেছিকৈ হয় আৰু ৰোগী অজ্ঞান হৈ যায়।

- যদিহে এই প্ৰক্ৰিয়া ৫ মিনিটৰ বেছি হয় তেন্তে তৎক্ষণাত চিকিৎসকৰ পৰামৰ্শ ল'ব লাগে। মৃগীৰোগ যিকোনো বয়সৰ মানুহৰ হ'ব পাৰে। শিশুৰ ক্ষেত্ৰতো এই ৰোগ হোৱা দেখা যায়। যিসকল শিশুৰ ক্ষেত্ৰতো এই ৰোগ হোৱা দেখা যায়। যিসকল শিশুৰ (বিশেষকৈ ৬ মাহৰ পৰা ৫ বছৰ বয়সৰ)জ্বৰ হ'লে মূৰ্চ্ছা যোৱাৰ লক্ষণ আছে তেনে শিশুৰ প্ৰায় ১-১০শতাংশই পিছলৈ মৃগীৰোগত আক্ৰান্ত হ'ব পাৰে। আজিকালি এই ৰোগৰ কাৰকসমূহ চিনাক্তকৰণৰ বাবে বহুতো পৰীক্ষা আছে। উন্নত প্ৰকাৰৰ নিৰ্ণায়ক সঁজুলিও আছে।ই.ই.জি. EEG) আৰু ˉ এম.আৰ.আই (MRI) আদিৰ দ্বাৰা এইৰোগ চিনাক্ত কৰিব পৰা যায়। এইৰোগৰ চিকিৎসাৰ বাবে যথোপযুক্ত ঔষধ আছে। নিয়মিতৰূপে ঔষধ সেৱন কৰি এইৰোগৰ পৰা আঁতৰি থাকিব পাৰি। শতকৰা প্ৰায় ৭০ শতাংশ ৰোগীকেই কেৱল ঔষধৰ দ্বাৰাই সম্পূৰ্ণকৈ নিয়ন্ত্ৰণ কৰি ৰাখিব পাৰে। বৰ্তমান উপলব্ধ মৃগীৰোগৰ ঔষধৰ ব্যৱহাৰে ইয়াৰ গুৰুতৰ অৱস্থা ভালেখিনি কমাই আনিছে। মৃগীৰোগ হৈ অচেতন হ'লে এই ৰোগৰ চিকিৎসা নকৰা পৰ্য্যন্ত পুনৰ কিছু দিনৰ মূৰে মূৰে ৰোগী অজ্ঞান হৈ থাকিব। সেয়ে ৰোগী আৰু পৰিয়ালে জনা উচিত যে অজ্ঞান নোহোৱাকৈ থাকিব পৰাটো অত্যন্ত জৰুৰী। সেইবাবে কোনো কাৰণতে চিকিৎসকৰ পৰামৰ্শ অবিহনে দৰৱ বন্ধ কৰিব নালাগে।

মৃগীৰোগত আক্ৰান্ত হৈ থকা সময়ত ল'বলগীয়া প্ৰাথমিক চিকিৎসাসমূহ-

- ৰোগী গৰাকীক সোঁ বা বাওফালে কাতি কৰি মুকলি নিৰাপদ ঠাইত শুৱাই দিব লাগে।
- ৰোগী গৰাকী আঘাতপ্ৰাপ্ত নহ'বৰ বাবে টান বা জোঙা বস্তু মজিয়াৰ পৰা আঁতৰাব লাগে।
- মূৰৰ তলত গাৰু আদি কোমল বস্তু দিব লাগে যাতে মূৰত আঘাত নাপায়।
- ৰোগীক আৱৰি ভিৰ কৰিব নালাগে, ৰোগীগৰাকীক মুকলি বতাহৰ প্ৰয়োজন।
- ৰোগীয়ে পিন্ধা কাপোৰ ঢিলা কৰি দিব লাগে।
- হাত ভৰি কোঁচ খাই থকা সময়ত বাধা প্ৰদান কৰিব নালাগে আৰু জোৰ কৰি পোনাই দিবলৈ চেষ্টা কৰিব নালাগে।
- মূৰ্চ্ছা গৈ থকা সময়ত পানী, চামুচ, দৰৱ আদি মুখৰ ভিতৰত দিব নালাগে।
- জ্বৰৰ সৈতে মূৰ্চ্ছা যোৱা শিশুক গোটেই গাটো ঠাণ্ডা পানীৰে মচি দিব লাগে। চুলিখিনও ঠাণ্ডাপানীৰে মচি দিব লাগে।
- পাঁচ মিনিট মানৰ ভিতৰত ৰোগীয়ে সম্বিৎ ঘূৰাই নাপালে তৎক্ষণাত চিকিৎসালয়লৈ লৈ যাব লাগে। ৰোগীৰ আত্মীয় বা অভিভাৱকে ভয় খাই হুৱাদুৱা কৰি অযথা সময় নষ্ট কৰিব নালাগে।

এই ৰোগৰ বিষয়ে বহুত ভ্ৰান্ত ধাৰণা আছে। যিবোৰে ৰোগীক সময়মতে চিকিৎসা গ্ৰহণ কৰা আৰু সাধাৰণভাৱে জীৱন যাপন কৰাত বহুত বাধাৰ সৃষ্টি কৰি আহিছে। প্ৰচলিত ধাৰণা মতে, এইৰোগত আক্ৰান্ত সকলৰ বুদ্ধিমত্তা ক'ম, এই ৰোগত আক্ৰান্ত শিশুক বিদ্যালয়লৈ যাব দিব নালাগে। ই একেবাৰে ভুল ধাৰণা। এইৰোগৰ দ্বাৰা আক্ৰান্তসকলৰ অন্য ব্যক্তিৰ দৰেই বুদ্ধিমত্তা থাকে আৰু প্ৰায় সকলোধৰণৰ কাম কৰিব পাৰে। শৈক্ষিকভাৱে পিছপৰা অঞ্চলসমূহত এতিয়াও মৃগী ৰোগ কৈ হাত ভৰি কোচ খাই থকা সময়ত বহুতে গোঁসানী বা অপদেৱতা লম্ভা বুলি ভাবে আৰু পূজা-পাতল কৰে। বহুতে বেজৰদ্বাৰা জৰাফুকা কৰে আৰু কবিৰাজৰ ঔষধ খুৱায়। বহুতে তান্ত্ৰিক, সাধকৰ কাষ চাপে বহুতে জ্ঞান আহিবৰ বাবে ৰোগীক মোজা আদিৰ গোন্ধ ল'ব দিয়ে। বহুতেই আকৌ বেমাৰটো উক দিয়াৰ সময়ত ৰোগীক স্পৰ্শ কৰিলে ৰোগবিধ নিজৰ গালৈকে বিয়পিব বুলি ভাবে। বহুতে মৃগীৰোগক গুৰুতৰ মানসিক ৰোগ বুলি ভাবে আৰু ৰোগীক মানসিক চিকিৎসালয়লৈ পঠিয়াই দিয়ে। বহুতৰ মাজত এতিয়াও ভুল ধাৰণা আছে যে এই ৰোগত আক্ৰান্ত নাৰীৰ সন্তান জন্ম দিয়াৰ ক্ষমতা নাথাকে। প্ৰকৃততে এইৰোগত আক্ৰান্ত মহিলাগৰাকীয়ে গৰ্ভধাৰম কৰিলে চিকিৎসকৰ পৰামৰ্শ অনুসাৰে ঔষধ খাই থাকিলেই হ'ল। বহুতে আকৌ সমাজৰ পৰা এঘৰীয়া হোৱাৰ ভয়তে এইৰোগৰ কথা গোপনে কৰি ৰাখে আৰু চিকিৎসা গ্ৰহণৰ পৰা বঞ্চিত হয়। আমি সকলোৱে এই ভ্ৰান্ত ধাৰণাসমূহৰ বিষয়ে ৰাইজক সজাগ আৰু সচেতন কৰাতো প্ৰয়োজন। অৱশ্যে মৃগীৰোগত আক্ৰান্ত ব্যক্তিসকলে কিছু সাৱধানতা আৰু নীতি-নিয়ম মানি চলিব লাগে-

- সাঁতোৰা, গাড়ী চলোৱা, মেচিন আদিৰ কাম, ওখ ঠাইত যোৱা আদি ক্ষেত্ৰত সাৱধান হোৱা উচিত।
- হুলস্থূলীয়া পৰিবেশ হানিকাৰক, থকা পৰিবেশ শান্ত হ'ব লাগে।
- টোপনি ক্ষতি কৰাটো উচিত নহয়।
- শাৰীৰিক আৰু মানসিকভাবে অতিমাত্ৰা পৰিশ্ৰম কৰা উচিত নহয়।

শেষত, সকলোতকৈ প্ৰয়োজনীয় যে মৃগীৰোগত আক্ৰান্ত ব্যক্তিসকলে চিকিৎসকৰ পৰামৰ্শমতে দৰৱ খাই থাকিব লাগে। সময়ে সময়ে চিকিৎসকৰ দ্বাৰা পুনৰীক্ষণ কৰাটোও এই নিয়ন্ত্ৰণত ৰখাৰ ক্ষেত্ৰত অত্যন্ত জৰুৰী।

# অসমৰ জাতি গঠনৰ প্ৰক্ৰিয়া

গতিকে অসমীয়া জাতিৰ প্ৰতি, দেশৰ প্ৰতি, ভাষাৰ প্ৰতি আমাৰ দায়বদ্ধতা কিমান হব সি সহজে অনুমেয়। তাৰ মাজতে কিছুমান সৎ, সাহসী আৰু দেশপ্ৰেমী লোকৰ বীজ কাৰবাৰ মাজত থাকি গল বাবেই অসমীয়া জাতিটো আজিও জীয়াই আছে। বৰ্তমান অসমীয়া মানুহৰ সৰহসংখ্যকেই সুবিধাবাদী, স্বাৰ্থপৰ আৰু জাতিৰ প্ৰতি কোনো দায়বদ্ধতা নথকা বিধৰ। বৰ্তমান প্ৰতিখোজতে অসমীয়াৰ নিজৰ জাতিৰ প্ৰতি কিমান অনীহা সেইটো প্ৰকাশ পায়। যদি আমি ৰাজনীতিৰ ক্ষেত্ৰত চাবলৈ যাওঁ তেনেহলে দেখিবলৈ পাম যে জাতীয়াতবাদ বা সাধাৰণ মানুহৰ দুখৰ নাম, বা অসমৰ কেতিয়াও মীমাংসা নোহোৱা সমস্যাৰ নাম লৈ প্ৰত্যেক ৰাজনীতিকে নিজৰ সম্পত্তিৰ পাহৰ গোটোৱাত লাগিছে। অইনৰ কথা বাদ দিলো, ২০০৯ চনৰ লোকসভাৰ নিৰ্ব্বাচনৰ সময়ত সাংসদ সকলৰ সম্পত্তিৰ হিচাবত অসমৰ জনসাধাৰণৰ দল অসম গণপৰিষদৰ প্ৰাক্তন সাংসদ কেইজনে কৰপৰা পালে কোনোবাই হিচাব কৰিবনে? সাধাৰণ সহজ সৰল জনজাতীয় লোকসকলক উচতাই আন্দোলন কৰি বিধায়কে বিয়ত খৰছ কৰা কোটী কোটী টকাত সাধাৰণ লোকৰ তেজ লাগি থকা নাইনে? কাৰ্বি আংলংৰ সাধাৰণ জনতাক বলিৰ পঠা বলাই নেতা পালি নেতাই লাহ বিলাহৰ জীৱন যাপন কৰিবলৈ আৰু সুদৃশ্য অট্টালিকা বনাবলৈ টকা কৰ পৰা পালে। এই বিলাক হল আমাৰ জাতীয় বীৰৰ উদাহৰণ। বেলেগ ৰাজনীতিকৰ কথা নকও আৰু। আমিচকুমুদা কুলি। মানুহে টকা ঘটিছে, গড়ী দৌৰাইছে, ইটোতকৈ সিটোৰ ভেটি ওখ কৰি সুদৃশ্য দালান বনাইছে কেনেকৈ আমি নাচাও। মানুহৰ নৈতিক চৰিত্ৰৰ কোনো মূল্য নাই। টকা আছে কাৰণে আমিমাতি আনি বিহু কমিটীৰ সভাপতি, সাহিত্য সভাৰ উপদেষ্টা আদি পদত অধিষ্ঠিত কৰিছো। ইয়াত নৈতিকতাৰ প্ৰয়োজন নাই। কেনেকৈ ঘটে মুঠতে টকা আৰু সম্পত্তিৰ প্ৰযোজন। এনেকুৱা বহুত কথা আছে আমি পিছত আলোচনা কৰিম। অসমীয়াৰ বৰ্তমান প্ৰজন্মৰ প্ৰধান সমস্যা হৈছে কামৰ প্ৰতি অনীহা। কৰ্ম সংস্কৃতি নাথাকিলে কোনো জাতি জীয়াই থাকিব নোৱাৰে। বৰ্তমান অসমীয়া লৰা ছোৱালীয়ে অলপ পঢ়াশুনা কৰিলেই খেতি বাতি কৰিবলৈ লাজ কৰে। পশ্চিমীয়া সস্তীয়া সংস্কৃতিয়ে সকলোকে আকৰ্ষিত কৰিছে। মটৰ চাইকেল, মোবাইল, মদ সকলোৰে ফেশ্যন হৈ পৰিছে। সৰা ছোৱালী বিলাকে বাহিৰা পইছা থকা চাকৰি এটাৰ বাবে মাটি বাৰী বিক্ৰি কৰি দালালৰ পিছে পিছে ঘুৰি ফুৰে। বহুত সৰ্বশ্ৰান্ত হোৱা দেখা গৈছে। চাকৰি নাপালে বাহিৰৰ পৰা বস্তুবিলাকৰ ওপৰত টেক্স লৈ, টেণ্ডাৰ আদিৰ কামত মধ্যভোগী হৈ এটা স্বচ্ছল জীৱন যাপন কৰি আছে আৰু ইয়াৰ ফলত সাধাৰণ গ্ৰাহকে দূৰ্ম্মূল্যৰ দুৰ্ভাগ্য ভুগিব লগীয়া হৈছে। অসমত নিজাকৈ কাম কৰি সুন্দৰকৈ চলি থাকিব পৰাকৈ এতিয়াও বহুত পথ খোলা আছে। কিন্তু আমাৰ যুৱচামৰ কামকৰাৰ মানসিকতা নাই। দুপৰীয়া ১২ বজাৰ পৰা ২ বজালৈ বহা চৰকাৰী কাৰ্য্যালয় এটাত চাকৰি এটা লৈ বাহিৰা পইছা ঘটাৰ স্বপ্নত সকলো বিভোৰ। অসমৰ এই বিবগিন্ন কামৰ সুবিধাবিলাক লৈ আছে ভাৰতৰ বিভিন্ন প্ৰান্তৰ পৰা অহা মানুহিলাকে। পৰাপক্ষত আমি অসমৰ উদ্যোগী যুবক এজনক নকৰি দুপইছা পোৱাৰ আশাত বাহিৰৰ মানুহক যিমান পাৰো সুবিধা কৰি দিছো। এলাহ আৰু সময়ৰ অপব্যৱহাৰ অসমৰ উন্নতিৰ আন এটা প্ৰধান অন্তৰায়। পৃথিবীৰ ভিতৰত হয়তো অসমীয়াৰ নিচিনা এলেহুৱা জাতি পোৱা নাযাব, যিয়ে কামতকৈও আমোদ-প্ৰমোদত সময় কটাই ভাল পায়। সময়ৰজ্ঞানৰ বিষয়ে কবই নালাগে। গাড়ী, বাছ, অফিচ সকলোতে অসমীয়াৰ সময়ৰ প্ৰতি আওকণীয়া স্বভাৱটো ওলাই পৰে। এবাৰ এজন চৰকাৰী বিষয়াৰ ঘৰত বহি থাকোতে ১০ বাজিবৰ হোৱাত তেওঁ কৈছিলে যে ১০ বজাৰ পৰা তেওঁৰ অফিচৰ ডিউটী আৰম্ভ হয়। অফিচ ডিউটী আৰম্ভ হয় তেওঁ অফিচলৈ যাবলৈ ডাড়ি কটাৰে, পিছত গা-পা ধুই পুজা কৰি, ভাতপানী খাই ওলাই যায় অফিচলৈ। এই বিলাক তেওঁৰ অফিচৰ কাম, কাৰণ অফিচ যাবলৈহে এই বিলাক কৰে। গতিকে তেওঁ কেইবজাত গৈ অফিচ পায় সি সহজে অনুমেয়। কেন্দ্ৰীয় কৰ্ম্মচাৰীৰ সমহাৰত দৰমহা বিচাৰি থকা এই মানুহবিলাকে কেন্দ্ৰীয় কাৰ্য্যালয়ৰ কৰ্ম্মচাৰীৰ কাম আৰু ৰাজ্যিক কৰ্ম্মচাৰীৰ কামৰ তুলনা কৰিলে মুখৰ মাত নাইকীয়া হব। সময়ৰ মূল্য যদি বুজি নাপায় তেতিয়াহলে ব্যক্তি বা জাতি কাৰো উন্নতি হব নোৱাৰে। অসমৰে পণ্ডিতপ্ৰবৰ স্বৰ্গীয় কৃষ্ণকান্ত সন্দিকৈ দেৰে মাত্ৰ ৫ মিনিট পলম কৰা বাবে ভাৰতৰ তেতিয়াৰ প্ৰধানমন্ত্ৰী জৱাহৰাল নেহেৰুক লগ নিদিলে বুলি শুনিবলৈ পোৱা যায়। মাত্ৰ ১০ টা বছৰ যদি অসমৰ সকলো আমোলা বিষয়া, ৰাজনীতিক, ব্যৱসায়ী বা সাধাৰণ মানুহে কোনো আপোছ নকৰাকৈ অসমীয়া জাতিৰ (অসমীয়া জাতি মানে অকল অসমীয়া ভাষা কোৱা মানুহক বুজোৱা নাই। অসমত থকা কাৰ্বি, মিৰি, কছাৰী বড়ো, দেউৰী, পমুৱা মুছলমান আদিক লৈ অসমতে থাকি অসমকে মোৰ বুলি লোৱা সকলো মানুহৰ কথা কোৱা হৈছে।) উন্নতিৰ বাবে কাম কৰিব বুলি উৎসৰ্গা কৰে, তেনেহলে অসমীয়া জাতি পৃথিৱীৰ ভিতৰতে এটা অদ্বিতীয় জাতি হব। আমাৰ কি নাই? প্ৰাকৃতিক প্ৰাচুৰ্য্যৰে ভৰপুৰ ৰাজ্যখনত অভাৱ মাথো সৎভাবে ৰাজ্যৰ উন্নতিৰ বাবে কাম কৰাৰ মানসিকতা। উঠি অহা নতুন প্ৰজন্মক এতিয়াৰ পৰাই ক্ষুদ্ৰ জাতীয় সত্তা বাদ দি বৃহৎ অসমীয়া জাতিৰ ভাবিবলৈ শিক্ষা নিদিও তেনেহলে বৃহৎ অসমীয়া জাতিৰ লগতে ক্ষুদ্ৰ জাতিবোৰো বিশ্বৰ বুকুত নিঃচিন্ন হৈ যাব। বৃহৎ জাতি সত্তা জীয়াই থাকিলেহে ক্ষুদ্ৰ জাতিবোৰ ভাৰ মাজতে জীয়াই থাকিব। আমাৰ আত্মসমালোচনাৰ খুব প্ৰয়োজন। আত্মসমালোচনা নহলে আত্মশুদ্ধি নহয়। কুমাৰ ভাস্কৰবৰ্ম্মাই হিউয়েন চাঙক অসমলৈ নপঠালে নালন্দা বিশ্বদ্যািলয় ধূলিৰ লগত মিলাই দিম বুলি দিয়া ভাবুকি বা লাচিত বৰফুকনৰ দেশতকৈ মোমাই ডাঙৰ নহয় বাণী আওৰাই সন্তুষ্টি লভাৰ দিন নাই। এইয়া আত্মসমালোচনাৰ আৰম্ভণি মাত্ৰ। আজি পাঞ্জাবী বিলাকে নিজকে বুৰ্বক বুলি বহুতো খুহুটীয়া কাহিনীৰ সৃষ্টি কৰিছে। কিন্তু ভাৰতবৰ্ষৰ এতিয়া আটাইতকৈ শক্তিশালী জাতি হল পাঞ্জাবী। (আগলৈ)

# ৰঙা ডালতে আছে তোমাৰ কবিতা

**পুলিন ডেকা**



সকলোবোৰ কথা প্ৰেমময় অথবা বিমূৰ্ত নহ'বও পাৰে।
ধৰি লওক, সীমাহীনতাৰ সিপাৰত থকা
বগৰী গছত ওলমি আছে কাঁইট, মোৰ দৃষ্টিত
লুকাই থকা বৰ্ষাবিঘ্নিত আকাশত স্থৱিৰ হৈ পৰিছে
কেইটোপালমান বৰষুণৰ শৰীৰ
মই স্পৰ্শ কৰোঁ এটা আবেলিৰ কেইডালমান ৰেখা
যিয়ে মোক লৈ যাব পাৰে তোমাৰ সেন্দুৰীয়া
সুগন্ধিময় বাটটোলৈ
বহু ৰাতি নিৰ্জনতাৰ শিপাত আগুৰাই গৈছোঁ
তোমাৰ স্পৰ্শত গজি উঠা নিদ্ৰাময় আকাশলৈ
তুমি সাৰে থকা শৰতৰ এপাহি পাহিৰ মাজেৰে
পাৰ হৈ যায় মোৰ ধূলকণাৰ দ্বীপ
উন্মাদ আৱৰণৰ জুই
প্ৰতিটো স্পৰ্শত কাঁইট ফুলে, ৰঙচুৱা কদমৰ ওঁঠত
মেলি দিওঁ প্ৰতিটো মিনিট, ঘণ্টা, এটা দিন
মোৰ প্ৰিয় শব্দ কি, কোনোদিনে সোধা নাছিল
সাগৰৰ ঢৌত জীপাল হৈ থকা প্ৰতিমূৰ্তিটোৰ কাষৰ
বতাহজাকৰ অনুভৱৰ শীতলতম শব্দবোৰে জিৰাইছে
এতিয়াও আছে তোমাৰ উন্মুক্ত পাহাৰৰ শিলৰ গান
ৰঙা ডালত থকা একুৰি কবিতা,
অস্পৃশ্য হাতৰ গজালি
আৰু খিৰিকীমুখত স্তব্ধ উশাহৰ খোজবোৰ
আৰু যে তোমাক কবৰস্থ কৰা মাটিত সেউজ সপোনতে
উলাহ অধীৰ লতাৰ চাৱনি কঁপিছে
সেইদিনা একুৰা জুই লৈ তোমাৰ বুকুৰ ছাঁবোৰে
স্পৰ্শ কৰিছিল
মই এৰি অহা কঠীয়াতলীৰ জলমগ্ন
পথাৰখনক।

# এডাল কুটা

**শতাব্দী শৰ্মা, নগাঁও**




চকুত এডাল কুটা সোমাল,
অন্ধ কৰিব পৰাকৈ
কুটাডাল শক্তিশালী নহয়!
অলপ সময় খচখচনি,
অলপ সময় অসহ্য হকা - বধা
দৃষ্টি নিক্ষেপত !
এপাকত কুটাডাল নিজে নিজে ওলাল।
সুদূৰপ্ৰসাৰী দৃষ্টি লভি
পুনৰ চাব বাধ্য হ'লো,
বেয়া - ভাল মিশ্ৰিত
সহজ - অসহজ দৃশ্যপট ।

# কবিতাৰ শিতান

## অসুখ

**শৰ্মিষ্ঠা দেৱী, আমোলাপট্টি**



পৰা হ'লে
কবিতাৰে
তোক সুস্থ কৰি তুলিব
আকাশৰ প্ৰতিটো তৰাৰ নামতে
লিখিলোহেতেন কবিতা,
পুৱা-গধূলি
প্ৰৰ্থনাৰ নামতো
গুণগুণালোহেতেন কবিতা।
ভোক গুছোৱাৰ পৰতো কবিতা,
নিচুকনি গীতৰ নামতো
কবিতা।
পৰা হ'লে
সেউজীয়া গছবোৰকো
শুনালোহেতেন কবিতা।
হয়তো দিলেহেতেন অম্লজান
আৰু সুচল কৰিলেহেতেন
তোৰ উশাহৰ বাটটি।
কবিতাৰে
তোৰ অসুখটোৰ স'তে
যুঁজিবৰ মন,
তোক যে মোৰ বৰ প্ৰয়োজন।

## Dear Comrade




You're my life's
Dear Comrade,
You make my life
like colourful dye
You are the one who
support on the
battle,
You cuddle like light
and make life settle.
You are the tree and
I'm the shade.
You are my sup-
porter and the third
eye,
You is the most
important of life,
Which teaches us
the way survive.
You are my com-
rade and my body's
strength,
Your love is real like
ocean's depth.
I'm the lamp and
you're the oil,
You stop everyone
to never let me
spoil.

**Nitishman Das**

# Where are you God?


**Arpita Gogoi Class vi**




God, you are the only
Who have created the world.
You are the only one
Who is powerful in the world.
You are the only one
Who knows everything.
You are the only one
Who can see everything.
But where are you God?
No one can see you God.
You have so many forms
Like Hindus God Lord
Rama, Krishna, Shiva, Vishnu.
Goddess Durga, Saraswati,
Lakshmi, Parvati, Kali.
Like Muslims Allah.
Christians Jesus Christ
And many more.
But where are you God?
No one can see you.

# দুঃখবৰৰ ভৰত

**মাধুৰী শৰ্মা সভাপণ্ডিত**



দুঃখবৰৰ ভৰত
বিধ্বস্ত প্ৰহৰ
আশাৰ নাও ছেদেলি-ভেদেলি
তল-সৰা বকুলৰ গোন্ধ ল'বলৈ
এজনো নাই পথিক
ভোকৰ জ্বালাত চকুত জুই
উদং আখলৰ খাজে খাজে শোক
অভাৱৰ তাড়নাত
উটি গৈছে
আৱেগ-ৰং সকলো
বানপানীত বুৰিছে মুধচ
বন্য প্ৰানীবোৰে চেঁকুৰিছে আতংকত
মহামাৰীৰ ত্ৰাসত চিৰালটা
কেনি যাওঁ?
পদূলিয়ে পদূলিয়ে
এন্ধাৰৰ এৰাল।
মিছা কথাৰে নাবান্ধিবা বিতান।
ভগা শেতেলিত শুনাছোন
জৰৌৰোৱা প্ৰজাৰ আটাহ ।

# বিনীত বাগাৰিয়া কাণ্ডৰ পিছতে কঠোৰ অসম আৰক্ষী



ৰঙিলী বাৰ্ত্তাসেৱা- বিনীত বাগাৰিয়া কাণ্ডৰ পিছতে কঠোৰ ডিব্ৰুগড় জিলা প্ৰশাসন। বিনীত বাগাৰীয়াৰ আত্মহত্যাৰ বাবে জগৰীয়া মূল অভিযুক্ত বৈদুল্লা খানৰ ঘৰত পুৱাই আৰক্ষীয়ে চলালে বুলড'জাৰ। ভাঙি পেলোৱা হ'ল অট্টালিকা। অসমত অভিযুক্তৰ ঘৰত বুলড'জাৰ চলোৱা এয়া দ্বিতীয়টো ঘটনা। ইয়াৰ পূৰ্বে বটদ্ৰৱা আৰক্ষী থানাত অগ্নিসংযোগ কৰা অভিযুক্তৰ ঘৰত আৰক্ষীয়ে চলাইছিল বুলড'জাৰ উল্লেখযোগ্য যে, যোৱা ৭ জুলাই তাৰিখে ডিব্ৰুগড়ৰ উদীয়মান যুৱক বাগাৰিয়াক আত্মহত্যা কৰিবলৈ বাধ্য কৰোৱাৰ দৰে চাঞ্চল্যকৰ ঘটনা সংঘটিত হোৱাৰ পাছত এতিয়া তৎপৰ হৈ পৰিছে ডিব্ৰুগড় আৰক্ষীৰ লগতে অসম আৰক্ষী। যোৱা ৯ জুলাই তাৰিখে মুখ্যমন্ত্ৰী ড° হিমন্ত বিশ্ব শৰ্মাই ডিব্ৰুগড়ত উপস্থিত হৈ বিনীতৰ পিতৃ কৈলাস বাগাৰিয়া তথা আত্মীয়ক সাক্ষাৎ কৰি ৰাজহুৱাভাৱে দুৰ্ভাগ্যজনক ঘটনাৰ বাবে অসমবাসীৰ ওচৰত ক্ষমা খোজে। ইয়াৰ পাছতে অসম আৰক্ষীৰ বিশেষ সঞ্চালকপ্ৰধান জি পি সিঙেও ডিব্ৰুগড়ত উপস্থিত হৈ শোকসন্তপ্ত বাগাৰিয়া পৰিয়ালটোক সাক্ষাৎ কৰে। বাগাৰিয়া পৰিয়ালক সাক্ষাৎ কৰি বিশেষ ডি জি পি জি পি সিঙে সংবাদ মাধ্যমৰ আগত কয় যে দুভাগ্যজনক ঘটনাৰ বাবে তেওঁ অতিকে মৰ্মাহত হৈছে। অসমৰ কোনো এখন জিলাতে আমি ডিব্ৰুগড়ৰ দৰে 'বাহুবলী সংস্কৃতি'ক প্ৰশয় নিদিওঁ বুলি তেওঁ কয়। অসম আৰক্ষীয়ে বিগত দুদিনত সকলো আৰক্ষী থানা আৰু আৰক্ষী চকীসমূহক নিৰ্দেশনা দিছে যাতে অসমাজিক কাৰ্যকলাপত লিপ্ত থকা, গুণ্ডাগিৰি কৰা লোকৰ বিৰুদ্ধে কঠোৰ ব্যৱস্থা লয়। বিনীত বাগাৰিয়াৰ ঘটনাৰ তদন্ত ক্ষিপ্ৰভাৱে চলিছে আৰু বৰ্তমান পলাতক দুই দুষ্কৃতিকাৰীক গ্ৰেপ্তাৰ কৰাৰ ক্ষেত্ৰত সকলো ব্যৱস্থা গ্ৰহণ কৰা হৈছে বুলিও তেওঁ জানিবলৈ দিয়ে।

# অসম আৰক্ষীৰ উপ-পৰিদৰ্শকৰ মৌখিক পৰীক্ষাৰ দিন ঘোষণা

ৰঙিলী বাৰ্ত্তাসেৱা- অসম আৰক্ষীৰ উপ-পৰিদৰ্শকৰ মৌখিক পৰীক্ষাৰ দিন ঘোষণা কৰা হৈছে। ২১ জুলাইত অনুষ্ঠিত হ'ব অসম আৰক্ষীৰ উপ-পৰিদৰ্শক পদৰ মৌখিক পৰীক্ষা। গুৱাহাটীৰ কাহিলিপাৰাৰ চতুৰ্থ অসম আৰক্ষী বাহিনীত অনুষ্ঠিত হ'ব এই পৰীক্ষা। পৰীক্ষাৰ্থীসকলে এডমিট কাৰ্ড সমূহ ১৭ জুলাইৰ পৰা ডাউনলোড কৰিব পাৰিব। পৰীক্ষাৰ্থীসকলৰ সুবিধাৰ বাবে এটা টোল-ফ্ৰী নম্বৰ মুকলি কৰা হৈছে। পৰীক্ষাৰ্থীসকলে ৮৯২৯২-০৭৬৬৮ নম্বৰত যোগাযোগ কৰিব পাৰিব। উল্লেখযোগ্য যে, ২৪ এপ্ৰিলত হোৱা অসম আৰক্ষীৰ উপ-পৰিদৰ্শক পদৰ লিখিত পৰীক্ষাৰ ফলাফল ১৪ জুনত ঘোষণা হৈছিল। ৩০৬ টা উপ-পৰিদৰ্শক পদৰ বাবে অনুষ্ঠিত হৈছিল লিখিত পৰীক্ষা।

# ঋণ ল'ম বুলি ভাবি থকা সকললৈ হতাশাজনক খবৰ

ৰঙিলী বাৰ্ত্তাসেৱা- বেংকত ঋণ ল'ম বুলি ভাবি থকা সকললৈ আহিছে এক হতাশাজনক খবৰ।আজিৰ পৰা ব্যয়বহুল হ'ব ভাৰতীয় ষ্টেট বেঙ্ক (এছবিআই)ৰ সুতৰ হাৰ। আকৌ ভাৰতীয় ষ্টেট বেংকে(এছ বি আই)বঢ়ালে লেণ্ডিং ৰেট। দেশৰ সৰ্ববৃহৎ ঋণদাতা ভাৰতীয় ষ্টেট বেঙ্কে (এছবিআই)ঋণৰ ওপৰত ঋণৰ হাৰৰ (এমচিএলআৰ) প্ৰান্তিক ব্যয় ১০ বেছিছ পইণ্ট বা ০.১০ শতাংশ বৃদ্ধি কৰিবলৈ সাজু হৈছে। এছ বি আইৰ ৱেবছাইটত প্ৰকাশ কৰা জাননী অনুসৰি, এবছৰৰ ম্যাদৰ বাবে, বেঙ্কে এমচিএলআৰ বৰ্তমানৰ ৭.৪০ শতাংশৰ পৰা ৭.৫০ শতাংশলৈ বৃদ্ধি কৰাৰ সিদ্ধান্ত লৈছে। ছয় মাহৰ ম্যাদৰ বাবে এমচিএলআৰ ৭.৩৫ শতাংশৰ পৰা ৭.৪৫ শতাংশলৈ বৃদ্ধি কৰা হ'ব। দুবছৰৰ ম্যাদৰ বাবে ঋণৰ হাৰ ৭.৬০ শতাংশৰ পৰা ৭.৭০ শতাংশলৈ বৃদ্ধি কৰা হৈছে। আনহাতে তিনি বছৰৰ ম্যাদৰ বাবে, ই ৭.৭ শতাংশৰ পৰা ৭.৮ শতাংশলৈ বৃদ্ধি হ'ব। উল্লেখযোগ্য যে, এমচিএলআৰ হৈছে নিম্নতম ঋণৰ হাৰ যাৰ তলত বেংকবোৰক ঋণ দিবলৈ অনুমতি দিয়া নহয়। বেংকবোৰে বজাৰৰ পৰিস্থিতিৰ ওপৰত নিৰ্ভৰ কৰি প্ৰতি মাহে তেওঁলোকৰ এমচিএলআৰ হাৰ সংশোধন কৰে। এমচিএলআৰ বিভিন্ন উপাদানযেনে পুঁজিৰ প্ৰান্তিক ব্যয়, নগদ সংৰক্ষণ অনুপাত (চিআৰআৰ) পৰিচালনা ব্যয় আৰু ম্যাদ প্ৰিমিয়ামৰ ওপৰত আধাৰিত কৰি আহৰণ কৰা হয়।

# 'মিষ্টাৰ গগৈ' শব্দক লৈ মহুৱা মৈত্ৰৰ পুনৰ ৰী টুইট



ৰঙিলী বাৰ্ত্তাসেৱা- দেশজুৰি প্ৰতিক্ৰিয়াৰ সৃষ্টি হোৱাৰ পাছত পুনৰ ৰী টুইট কৰি স্পষ্টীকৰণ দিবলৈ বাধ্য হ'ল তৃণমূলৰ সাংসদ মহুৱা মৈত্ৰই। সকলো গগৈকে লক্ষ্য কৰি নাই লোৱা বুলি টুইট কৰিলে মহুৱা মৈত্ৰই।তৃণমূলৰ নেত্ৰীগৰাকীয়ে লোকসভাৰ এটা বিষয়ৰ বিৰোধিতা কৰিবলৈ গৈ সমগ্ৰ অসমীয়া জাতিৰ প্ৰতি অপমানসূচক মন্তব্য কৰাৰ পিছতে জাঙুৰ খাই উঠিছিল অসমৰ জাতীয় সংগঠন।তেওঁৰ এই মন্তব্যৰ বাবে ক্ষমা বিচাৰিবলৈও দাবী উত্থাপন কৰিছিল। অৱশেষত ৰী টুইট কৰি এইবাৰ ৰঞ্জন গগৈক পোনপটীয়াকৈ আক্ৰমণ মহুৱা মৈত্ৰৰ। ৰী টুইট কৰি মহুৱা মৈত্ৰই কয় যে, 'মিষ্টাৰ গগৈ' বুলি ৰঞ্জন গগৈক বুজাইছিলো। উল্লেখযোগ্য যে, সাংসদ মহুৱা মৈত্ৰৰ টুইটৰ পিছত অসমৰ বিভিন্ন প্ৰান্তত ক্ষোভৰ উদ্‌গীৰণ ঘটিছিল।

# SHOOTING COMPETITION AND SELLECTION OF NER SHOOTING TEAM FOR NATIONALS



Guwahati, RB News: 1ASSAM BN,NCC carried out a training camp for organising inter group firing competition and further sellection if NER shooting team to participate in national shooting competition.The event was organised at ASSAM RIFLE SHOOTING ASSOCIATION firing range Khialipara .The event was witnessed by the Additional Director General,Maj Gen Kalita.20 cadets from north east states were sellected and professional training imparted to them for further competitions.

# Journalist found dead in Bangladesh, PEC demands authentic probe



Guwahati, RB News: Journalists continue to be the victim of violence in Bangladesh as the police recovered a partially decomposed body of Hashibur Rahaman Rubel on 7 July 2022. The young scribe went missing five days back and his body was found under a bridge on Garai river in Kumarkhali locality. Rubel was associated with Dainik Khustiar Khabar and Amader Notun Samay, both are Bengali newspapers, and used to edit online portal Crimevisionbd.“Press Emblem Campaign (www.pressemblem.ch), the global media safety and rights body, has demanded an authentic probe into the incident as Rubel's body carried severe injury marks.Rubel becomes the 76th media worker to be killed this year across the globe, whereas 79 media persons lost their lives to assailants in 2021.We demand all the crimes to be investigated with no impunity to culprits commented PEC president Blaise Lempen.“In Ukraine, the conflict triggered by Russia has claimed 30 victims among media workers, 16 in the line of duty and 14 journalists killed in fighting as soldiers or volunteers in the army. Mexico witnessed 13 media victims so far which exceeds the total figure for 2021 (10 killed).“PEC's south Asia representative Nava Thakuria informs that Rubel is the third journalist to be killed in Bangladesh this year after Mohiuddin Sarker Nayeem and Abdul Bari.India witnessed the murder of Rohit Kumar Biswal, Sudhir Saini, Juned Khan Pathan and Subhash Kumar Mahato.

E-mail us-
rongilibartamedhi@gmail.com

Postal Redg. No. GH- 098/ 2015 - 17

Rongili Barta
GUWAHATI—781025

৩২ আহাৰ ১৪২৭ চন Rongili Barta, Date of Publication-- 17 July, 2022

## Beauty of the Week



Priyanka Goswami

## Art of the Week




Girish Handique

Beauty of the Week Art of the Week
আৰু · Photography of the Week লৈ
আপোনালোকৰ ফটোবোৰ আমালৈ E-mail যোগে প্ৰেৰণ কৰক
E-mail-
rongilibartamedhi@gmail.com
Whatsapp - 9854215286




## Photography of the Week



Durga Magar

ৰঙিলী বাৰ্ত্তা কৰ্ত্তৃক শ্ৰীউদ্দীপ্ত নয়ন মেধিৰ দ্বাৰা প্ৰকাশিত, প্ৰচাৰিত আৰু ফটাশিল মানপাৰা গুৱাহাটী-25ৰ মেধি এণ্টাৰপ্ৰাইজত মুদ্ৰিত। ফোন ঃ 9854215286
প্ৰতিষ্ঠাপক সম্পাদক ঃ মহেশ চন্দ্ৰ মেধি মূখ্য-সম্পাদক ঃ উদ্দীপ্ত নয়ন মেধি সহঃসম্পাদিকাঃ স্বাগতা বৰুৱা গোস্বামী সহঃ সম্পাদিকাঃ অদিতি দত্ত লহকৰ
Founder Editor - Mahesh Ch. Medhi Ph. 99570-45203 EDITOR-IN-CHIEF :- UDDIPTA NAYAN MEDHI Ph.98542-15286